ASSAM LEGISLATIVE ASSEMBLY DEBATES



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

No. 13

The 3rd April, 1995

Price—34.75

Debates of the Assam Legislative Assembly

MONDAY, THE 3rd APRIL 1995

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakravorty, Speaker in the Chair.

STARRED
QUESTIONS & ANSWERS
(To which oral replies were given)

Mr. Speaker : The position of questions both oral and written for 3-4-95 are as follows :
Oral Sl. No. 221 to 240,
Written Sl. No. 520 to 556,
Postponed 530 and 545.

Now question No 221, Questioner Shri Hiteswar Deka and Shri Munin Mahanta.

বিষয় ঃ চাকৰিকাল বৃদ্ধিকৰণ।

শ্ৰীহিতেশ্বৰ ডেকা আৰু মুনীন মহন্তই সুধিছে ঃ

★ ২২১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা বৰ্ত্তমানলৈকে ৰাজ্যখনত মুঠতে কিমান

১) চাকৰিয়ালৰ চাকৰি কাল বৃদ্ধি কৰা হৈছে আৰু (২) অৱসৰ প্ৰাপ্ত কৰ্ম্মচাৰীক পুনৰ নিযুক্তি দিয়া হৈছে ?
(চাকৰিকাল বৃদ্ধি কৰা আৰু পুনৰ নিযুক্তি দিয়া ব্যক্তিৰ নাম তালিকা, বিভাগ ইত্যাদি সংলগ্ন কৰিব) ।

[খ] শেহতীয়া ভাৱে চৰকাৰে কোনো কৰ্ম্মচাৰীৰ চাকৰি কাল বৃদ্ধি নকৰিবলৈ অথবা অৱসৰ প্ৰাপ্ত কৰ্ম্মচাৰীক পুনৰ নিযুক্তি নিদিবলৈ সিদ্ধান্ত লৈছে নেকি ?

[গ] এই সিদ্ধান্ত লোৱাৰ পিছতো আকৌ চৰকাৰে কোনো চাকৰিয়ালৰ চাকৰি কাল বৃদ্ধি কৰিছে নেকি ? আৰু কোনো অৱসৰ প্ৰাপ্ত কৰ্ম্মচাৰীক পুনৰ নিযুক্তি দিয়া হৈছে নেকি ?
(যদি হৈছে, তেনে ব্যক্তিৰ নাম তালিকা আৰু বিভাগ উল্লেখ কৰিব)

[ঘ] অৱসৰৰ পিছত পুনৰ নিযুক্তি দিয়া কোনো কৰ্ম্মচাৰীক চৰকাৰে কেবিনেট মন্ত্ৰীৰ সমমৰ্য্যদা দিবলৈ সিদ্ধান্ত লোৱাটো সঁচা নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

[ক] ১৯৯১ চনৰ ১ জুলাইৰ পৰা বৰ্ত্তমানলৈকে ৰাজ্যখনত (১) ৩৫ (পয়ত্ৰিশ) জন চাকৰিয়ালৰ চাকৰিকাল বৃদ্ধি কৰা হয়, আৰু (২) ৭১ (একাত্তৰ) জন অৱসৰ প্ৰাপ্ত কৰ্ম্মচাৰীক পুনৰ নিযুক্তি দিয়া হয়। তালিকা দুয়াৰ লগত সন্নিবিষ্ট কৰা হ'ল। (See the Annexure—I)

(খ) এনে এক সিদ্ধান্ত লোৱা হৈছে। সেই সিদ্ধান্ত মতে বিশেষ পৰিস্থিতিৰ উদ্ভৱ হলে ইয়াৰ ব্যতিক্ৰম হব পাৰে বুলি সিদ্ধান্তত আছে।

(গ) এই সিদ্ধান্ত লোৱাৰ পিচতো বিশেষ পৰিস্থিতি সাপেক্ষে মাত্ৰ কেইজন মান বিষয়াকহে পুনৰ নিযুক্তি আৰু কাৰ্য্যকাল বৃদ্ধিকৰণ কৰা হয়। তালিকা দুয়াৰ লগত সন্নিবিষ্ট কৰা হ'ল। (See the Annexure-II)

(ঘ) সঁচা।

★ শ্ৰীমুনীন মহন্ত : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আগতে এই বিধান সভাতে অৱসৰপ্ৰাপ্ত লোকক পুনৰ নিযুক্তি দিয়া নহব বুলি প্ৰতি-

★ Speech not corrected

শ্রুতি দিছিল। এতিয়া মই মুখ্যমন্ত্রীৰ পৰা জানিব খুজিছো যে কি বিশেষ পৰিস্থিতিত এই লোক সকলক পুনৰ নিযুক্তি দিয়া হৈছে? ৰাজ্যখনত আৰু উপযুক্ত বিষয়া বা কৰ্ম্মচাৰী এনে কাম-কাজ চলাবৰ কাৰণে নাছিল-নেকি? এই পুনৰ নিযুক্তি প্ৰক্ৰিয়া বন্ধ হবনে?

★ শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা বিশেষ পৰিস্থিতিত, একোটা বিভাগত একোজন বিষয়াৰ অভাৱ হয় যাৰ কাৰণে তেওঁৰ চাকৰি বঢ়াই দিয়াৰ প্ৰয়োজন আহে।

শ্ৰীহিতেশ্বৰ ডেকা: অধ্যক্ষ মহোদয়, এই বিধান সভাতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই, বাজেট অধিবেশনত শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াৰ এটা প্ৰশ্নৰ উত্তৰত কোনো ধৰণৰ পুনৰ নিযুক্তি দিয়া নহব বুলি প্ৰতিশ্ৰুতি দিছিল। কি বিশেষ পৰিস্থিতিৰ কাৰণে এই লোক সকলক দিয়া হৈছে জনাব লাগে। আনকি মহাবিদ্যালয়ৰ অধ্যক্ষকো পুনৰ নিযুক্তি দিয়া হৈছে বিয়?

শ্ৰীমুনীন মহন্ত: অধ্যক্ষ মহোদয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষকো মুখ্য মন্ত্ৰীয়ে চাকৰিকাল বঢ়াই দিছে, এই ব্যৱস্থা বন্ধ কৰিবনে? যি সকল কৰ্ম্মচাৰীক কেবিনেট পৰ্য্যায়ৰ পদ মৰ্য্যদা দিয়া হৈছে এইটো কিয় কৰা হৈছে? আজি বাতৰি কাকতত পঢ়িবলৈ পালো এ, এচ, ই, বিত আৰু এজন উপদেষ্টা দিয়া হৈছে। এই পুনৰ নিযুক্তি প্ৰক্ৰিয়া বন্ধ কৰিবনে?

★ শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, কোনো এক বিশেষ পৰিস্থিতিত কোনো কলেজ বা কোনো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষক চাকৰি কাল বঢ়াই দিয়া হৈছে – ইয়াৰ কাৰণে কলেজৰ গৱৰ্নিং বডি বা মেনেজিং কমিটিৰ পৰা অনুৰোধ কৰা হয়, অধ্যক্ষৰ চাকৰি কাল বঢ়াই দিয়াৰ কাৰণে, কিয়নো তেখেতে কিছুমান কাম কৰিবলৈ থাকে। কেতিয়াবা এনেও হয় যে অধ্যক্ষজন অৱসৰত গলে উপযুক্ত চিলেকটেড প্ৰাৰ্থী নেথাকে অধ্যক্ষ হোৱাৰ কাৰণে। কেবিনেট পদ মৰ্য্যদা

★ Speech not corrected

দিয়াৰ বিষয়ে কৰ খোজো যে এই ব্যৱস্থা আমাৰ ভাৰতবৰ্ষত আছে। ভাৰতৰ এম্বেছেডৰ সকলক কেবিনেট মৰ্য্যাদা দিয়া হয়। কেন্দ্ৰীয় চৰকাৰৰ লগত বিশেষ কামত আলোচনা কৰাৰ কাৰণে এনে কেবিনেট পৰ্য্যায়ৰ বিষয়াৰ প্ৰয়োজন হয়।

★ শ্ৰীপ্ৰমোদ গগৈ : অধ্যক্ষ মহোদয় 'গ' প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কৈছে যে কেইজনমান অৱসৰপ্ৰাপ্ত বিষয়াক বিশেষ কাৰণত পুনৰ নিযুক্তি দিয়া হৈছে। এই বিধান সভাতে মুখ্যমন্ত্ৰীয়ে আশ্বাস দিছিল যে ভৱিষ্যতে কোনো চৰকাৰী চাকৰিয়ালৰ কাৰ্য্যকাল বৃদ্ধি কৰা বা পুনৰ নিযুক্তি দিয়া নহব। এতিয়া যি সকল বিষয়াৰ চাকৰিকাল চৰকাৰে বৃদ্ধি কৰিছে বা পুনৰ নিযুক্তি দিছে, সেই বিষয়া সকল ইমানেই অপৰিহাৰ্য্য নে যে তেওঁলোক নহলে, এই বিভাগবোৰ চলিব নোৱাৰে? জনামতে কেইজনমান বিষয়াৰ চাকৰিকাল বৃদ্ধি কৰা হৈছে তেওঁলোকৰ বিভাগত চলি থকা দুৰ্নীতি আৰু তদন্তৰ কথা ঢাকি ৰাখিবলৈ। অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে এই বিধান সভাত আগতে দিয়া প্ৰতিশ্ৰুতি অনুযায়ী কোনো চৰকাৰী কৰ্ম্মচাৰীৰ চাকৰিকাল বৃদ্ধি নকৰাৰ বাবে ব্যৱস্থা লবনে?

★ শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই কৈছোঁয়েই যে বিশেষ অৱস্থাৰ বাবেহে এনে ব্যৱস্থা লোৱা হয়। কেতিয়াবা কলেজৰ গৱাৰ্নিং বডি মেনেজিং কমিটিয়ে প্ৰস্তাৱ লৈ বিশেষ পৰিস্থিতিৰ কাৰণে অনুৰোধ কৰাত এনে ব্যৱস্থা লোৱা হয়। ১৯৯১ চনত পুনৰ নিযুক্তি দিয়া আৰু চাকৰিকাল বৃদ্ধি কৰা বিষয়া আছিল ১০৬ জন। বৰ্তমান কিন্তু এনে বিষয়া ১৯ জনহে আছে। আমি এই ব্যৱস্থা লাহে লাহে কমাই অনাৰ চেষ্টা কৰিছো পৰ্য্যায় ক্ৰমে। মন্ত্ৰী সভাৰ সিদ্ধান্তত বিশেষ পৰিস্থিতিতহে প্ৰয়োজন হলে চাকিৰকাল বৃদ্ধি বা পুনৰ নিযুক্তি দিয়া হব পাৰে বুলি উল্লেখ আছে। এতিয়া আমি ফৰেষ্ট, বান নিয়ন্ত্ৰণ, গড়কপ্তানি আদি বিভাগত চাকৰিকাল বৃদ্ধি কৰাটো বন্ধ কৰিছো।

★ Speech not corrected.

★ শ্রীপ্রমোদ গগৈ : অধ্যক্ষ মহোদয়, অসম মন্ত্রী সভাৰ সিদ্ধান্তৰ পিচত যি কেই-জন বিষয়া, কৰ্ম্মচাৰীৰ চাকৰিকাল বৃদ্ধি কৰা হৈছে বা পুনৰ নিযুক্তি দিয়া হৈছে, সেই সকলক কি বিশেষ পৰিস্থিতিৰ কাৰণে দিয়া হৈছে মুখ্যমন্ত্রীয়ে জনাবনে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে মোক সময় লাগিব । প্রত্যেকজন বিষয়াক কি কাৰণে লোৱা হৈছে সেই বিষয়ে নথি আছে। মই পিচতহে জনাব পাৰিম ।

★ শ্রীচন্দন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে প্রশ্ন

(ক) (১) ৰ উত্তৰত কৈছে যে ৩৫ জনৰ চাকৰিকাল বৃদ্ধি কৰা হৈছে । সেই বিষয়া বা কৰ্মচাৰী সকলৰ কিমানজনে কাম কৰি আছে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয় ১৯ জন আছে ।

★ শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয়ে. কলেজৰ অধ্যক্ষৰ চাকৰি কাল বৃদ্ধি কৰাৰ ক্ষেত্রত চিলেকটেড মানুহ নাই বুলি যি তথ্য দিছে, সেইটো সত্য নহয়, বহুত চিলেকটেড মানুহ আছে । আমাৰ এই প্রশ্নৰ উদ্দেশ্য হৈছে, এই প্রৱণতা বন্ধ হ'ব লাগে । আমি আজি বাতৰি কাকতত দেখিছো এ, এচ, ই, বিৰ অৱসৰ পোৱা বিষয়া এজনক আকৌ উপদেষ্টা হিচাপে নিযুক্তি দিছে । এইটো কিয় কৰিছে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো আমাৰ চৰকাৰে কৰা নাই । এ. এচ, ই, বি টো অটোন'মাচ বডী, এইটো তেওঁলোকে নিজে দিছে ।

★ ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আগতে তিনিজন বিষয়াক কেবিনেটৰ মর্য্যদা দিছে আৰু

★ Speech not corrected

পৰহি আৰু এজনক দিয়া হৈছে। প্ৰটক'ল হিচাপে এই কেইজন আমাৰ ষ্টেট মিনিষ্টাৰৰ ওপৰত হব নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, হ'ব পাৰে। মই এটা উদাহৰণ দিছো, শ্ৰীসিদ্ধাৰ্থ শংকৰ ৰায়, আমেৰিকাত এম্বেছেদৰ হিচাপে আছে। আমেৰিকালৈ কেন্দ্ৰৰ ষ্টেট মিনিষ্টাৰ গ'লে 'ৰিচিভ' কৰিবলৈ নাহে, কিন্তু কেবিনেট মিনিষ্টাৰ গ'লে "ৰিচিভ" কৰিবলৈ আহে।

বিষয় : ক্লাবলৈ সাহায্য প্ৰদান

শ্ৰীপ্ৰণব কুমাৰ নাথ জিজ্ঞাসা কৰছেন :

★ ২২২ মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জনাবেন কি :

(ক) বিগত ৪ ফেব্ৰুৱাৰী গৌহাটী থেকে প্ৰকাশিত ছাত্ৰ-যুৱকল্যাণ উপদেষ্টা কমিটিৰ আভিলাসী আচনি শিৰ্ষক যে সংবাদ প্ৰকাশিত হয়েছে তাহা সত্য কি ?

(খ) যদি, সত্য হয় তাহলে এগুলি বৰ্ত্তমান অৰ্থ বছৰে কাৰ্য্যকৰী কৰা হবে কি ?

(গ) কি কি অভিলাসী আচনি গৃহিত হয়েছে তাহাৰ বিশদ তথ্য সদনেৰ মেজে দাখিল কৰিবেন ?

(ঘ) কৰিমগঞ্জ জিলাৰ দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ অন্তৰ্গত নিম্নোক্ত সেচ্ছাসেবী গুলোকে এই পৰিকল্পনা থেকে মঞ্জুৰী দেওয়াৰ ব্যৱস্থা কৰবেন কি বৰ্ত্তমান অৰ্থ বছৰে ?

(১) বাজাৰাঘাট গ্ৰমোদ্যোগ সমিতি (২) বাজাৰঘাট Vocational Training Institute (৩) নয়াবাজাৰ ক্লাব ৰিলায়েন্স।

শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, সচাঁ।

(খ) কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰি থকা হৈছে।

★ Speech not corrected

(গ) চলিত বিত্তীয় বছৰত নিম্নোক্ত তিনিখন অভিলাআচঁনি গৃহীত হৈছে ।

(১) অসমৰ ১০০ খন কলেজক বছৰেকীয়া মুখ পত্ৰ প্ৰকাশৰ বাবে ২০,০০০/- (বিশ হেজাৰ) টকাকৈ বিত্তীয় অনুদান দিয়া,

(২) অসমৰ ১০০০ (এহেজাৰ) টা যুৱ সস্থাক একোটাকৈ ক'লা-বগা টি, ভি চেত যোগান ধৰা আৰু

(৩) অসমৰ ১০০০ (এহেজাৰ) খন গাৱৰ যুৱ সংঘৰ দ্বাৰা পৰিচালিত পুথিভড়ালৈলৈ ১০,০০০/- (দহ হাজাৰ) টকা পৰিমানৰ কিতাপ যোগান ধৰা ।

(ঘ) চলিত বিত্তীয় বছৰত উপদেষ্টা সমিতিলৈ আবেদন কৰিলে অনুদান দিয়াৰ বাবে পুজি সাপেক্ষে বিবেচনা কৰি চোৱা হব ।

★ শ্ৰীপ্ৰনব কুমাৰ নাথ : মাননীয় অধ্যক্ষ মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই আচনি মতে কোনো অনুষ্ঠানক সাহাৰ্য্য দিয়া হৈছে নেকি ? যদি দিয়া হৈছে কাক কাক দিয়া হৈছে ?

★ শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বিবেচনা কৰি থকা হৈছে। সেইমতে আমি তালিকা প্ৰস্তুত কৰিম। বিধায়ক সকলে কোনো তালিকা দিলে বিবেচনা কৰা হ'ব ।

★ শ্ৰীপানীৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই আচনিৰ জৰিয়তে কি ভিত্তিত সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিছে, বাতৰি কাকতত বিজ্ঞাপন আদি দিছে নেকি ?

★ শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বাতৰি কাকতত বিজ্ঞাপন দিয়া হৈছে ।

★ শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, এই অভিলাসী আচনিৰ ওপৰত মন্ত্ৰী মহোদয়ে এটা বিষদ বিৱৰণ দিলে ভাল হয়। মই ভালদৰে বুজি পোৱা নাই । আগৰ বছৰো ভিন্ন অনুষ্ঠানক খেলাৰ

★ Speech not corrected

সামগ্রী যোগান ধৰা হৈছিল। তাৰ কিছুমানে ৩/৪ বস্তাকৈ নিলে, আমি ভাগত নাপালোৱেই।

★ শ্রীইন্দ্র গগৈ (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই আঁচনি সম্পর্কত আমাৰ বিভাগৰ ফালৰ পৰা বাতৰি কাকতত বিজ্ঞাপন দিয়া হৈছে। মাননীয় সদস্যজনে আচলতে চুক্তি ভংগ কৰিছে। মই তেওঁক অলপ বস্তু দিছিলো আৰু কৈছিলো আপুনি কাকো নকব। তেখেতে আজি সদনতে সকলোৰে আগত কৈ দিলে।

★ শ্রীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, প্রতি জন এম. এল. এ. খেলা সামগ্রী দিয়া হৈছে। কিন্তু ৰাজ্যখনৰ শেষ প্রান্তৰ গোলোকগঞ্জৰ বিধায়কজনক বঞ্চিত কৰা হৈছে। ইয়াত কোনো চুক্তি ভংগ হোৱা নাই। মই যোৱা বছৰৰ কথাহে কৈছো।

★ শ্রীইন্দ্র গগৈ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, পুজিৰ অভাৱত যোৱা বছৰ আমি কাকো দিব পৰা নাই। আগৰ দুবছৰতহে দিয়া হৈছিল। (ভইচঃ এই বছৰ দিব নে নাই) আৰ, ডিৰ পৰা পুজি মুকলি কৰিলে নিশ্চয় দিম।

★ ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, অভিলাসী আচনি মতে যিবিলাক ক্লাব বা সংগঠনক চাৰি হাজাৰ কৈ চেংচন কৰিছে সেইটো কিঁ ভিত্তিত কৰিছে?

★ শ্রীইন্দ্র গগৈ (মন্ত্রী) : অধ্যক্ষ মহোদয়, চাৰি হাজাৰ কৈ নহয় ৫ হাজাৰ কৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমি ক্লাব বিলাকৰ পৰা আবেদন বিচাৰিছো, সেই আবেদনৰ ভিত্তিত, কেভিয়া স্থাপন হৈছে, ফাংচন কেনেকুৱা, কিমান সদস্য আছে এই সকলো বিলাক কথা বিবেচনা কৰি দিয়াৰ ব্যৱস্থা কৰা হ'ব।

★ ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ কেইটামান যোগ্য সংগঠনে এই

★ Seech not corrected

সাহায্য পোৱা নাই। যিবিলাক সংগঠনৰ হৈ ৰাজনৈতিক ভাবে কংগ্রেছ (ই) দলৰ মানুহ গৈ জোৰ দিছে সেই বিলাকে পাইছে, যিবিলাকৰ হৈ কংগ্রেছ দলৰ মানুহে জোৰ দিয়া নাই সেইবিলাকে পোৱা নাই। যি ভিত্তিত চিলেকচন কৰিছে তাত কিবা এটা কেৰোন আছে। এইটো মন্ত্রী মহোদয়ে তদন্ত কৰিলে ভাল হয়। মোৰ সমষ্টিৰ যিকেইটা সংগঠনে পোৱা নাই সেই কেইটা চিলেক্ট কৰাৰ ব্যৱস্থা কৰিব নেকি ?

★ শ্রীইন্দ্র গগৈ (মন্ত্রী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে নাম কেইটা দিলে মই বিবেচনা কৰিম।

(Starred Question No 223 was lapsed.)

বিষয় ঃ ষ্টেডিয়ামৰ বাবে অনুদান।

শ্রীনগেন শর্মাই সুধিছে ঃ

★ ২২৪। মাননীয় ক্রীড়া আৰু যুৱ কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

[ক] নলবাৰীত স্থাপন কৰিবলগীয়া নর্থ কামৰূপ ষ্টেডিয়ামৰ বাবে ১৯৯৩ চনৰ ফেব্রুৱাৰী মাহত ঘোষণা কৰা মুখ্যমন্ত্রীৰ ৫ লাখ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছেনে ?

(খ) ১৯৯৪-৯৫ চনৰ বিভাগৰ পৰিকল্পনাৰ ধনৰ কিমান শতাংশ ধন ১৯৯৫ চনৰ ফেব্রুৱাৰী মাহৰ ২৮ তাৰিখলৈ মুকলি কৰি দিয়া হৈছিল ?

শ্রীইন্দ্র গগৈ (ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হৈছে।

(খ) প্রায় ১২% (শতাংশ)

★ শ্রীনগেন শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে নর্থ কামৰূপ ষ্টেডিয়ামৰ বাবে ৫ লাখ টকা দিয়া হৈছে। মই জনাত এই টকা এতিয়াও পোৱা নাই। মন্ত্রী মহোদয়ে অনুসন্ধান কৰি জনাব নেকি ? এই টকা কিয় পোৱা নাই। ১৯৯৫ চনৰ ২৮ ফেব্রুৱাৰী লৈকে পৰিকল্পনাৰ ধন

★ Speech not corrected

১২ শতাংশ মুকলি কৰা হৈছে বাকী ৮৮ শতাংশ মুকলি কৰা নাই। এই ৮৮ শতাংশ ধন কত আছে মুখ্যমন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

★ শ্রীইন্দ্র গগৈ (ক্রীড়া আৰু যুৱকল্যাণ মন্ত্রী) : অধ্যক্ষ মহোদয়, মোক বিভাগৰ পৰা জনাইছে ষ্টেডিয়ামৰ বাবে ৫ লাখ টকা দিয়া হৈছে। বাকী টকা পুজিৰ নাটনিৰ বাবে দিব পৰা নাই।

★ শ্রীনগেন শর্মা : অধ্যক্ষ মহোদয়, এই ৫ লাখ টকা যোৱা কালিলৈকে পোৱা নাই। মই যোৱা কালি সমষ্টিৰ মানুহৰ পৰা জানিব পাৰিছো। মন্ত্রী মহোদয়ে জনাব লাগে এই টকা ক'ত দিয়া হ'ল। ক'ত খৰচ কৰাৰ ব্যৱস্থা কৰিছে।

★ শ্রীইন্দ্র গগৈ (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই টকা উপাযুক্তৰ জৰিয়তে খৰছ কৰাৰ ব্যৱস্থা কৰা হৈছে।

★ শ্রীনগেন শর্মা : অধ্যক্ষ মহোদয়, আমি এই সম্পর্কে জিলা উপাযুক্তৰ লগতো যোগাযোগ কৰিছো। উপাযুক্তই আন টাইড ফাণ্ডৰ পৰা ৫ লাখ টকা ষ্টেডিয়ামৰ বাবে দিছে। সদনত এই অসত্য তথ্য দিয়াৰ বাবে আপুনি কিবা ব্যৱস্থা লব নেকি?

★ শ্রীইন্দ্র গগৈ (মন্ত্রী) : অধ্যক্ষ মহোদয়, মোক বিভাগৰ পৰা জনাইছে যে ষ্টেডিয়ামৰ বাবে ৫ লাখ টকা দিয়া হৈছে।

★ শ্রীনগেন শর্মা : অধ্যক্ষ মহোদয়, এই টকা দিয়া হোৱা নাই, যোৱা কালিলৈকে দিয়া হোৱা নাই। আনটাইড ফাণ্ডৰ পৰা ৫ লাখ টকা দিছে। এইটো অনুসন্ধান কৰি দিয়াৰ ব্যৱস্থা কৰিব নেকি, যিসকল বিষয়া কৰ্মচাৰীয়ে ভুল তথ্য দিছে সেই সকলৰ ওপৰত ব্যৱস্থা লব নেকি?

★ শ্রীইন্দ্র গগৈ (মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো মই নিশ্চয় চাম।

★ শ্রীজয়নাথ শর্মা, (মন্ত্রী) : অধ্যক্ষ মহোদয়, পইণ্ট অব অর্ডাৰ, মাননীয় সদস্যজনে কৈছে টকা নোপোৱা বুলি আৰু মাননীয় মন্ত্রী মহোদয়ে কৈছে টকা দিয়া

★ Speech not corrected

হৈছে। এতিয়া অফিচাৰ সকল ৰেচপনছিবুল নহয়, হাউচত মন্ত্ৰীহে ৰেচপনছিবুল। গতিকে মন্ত্ৰী মহোদয়ে, এই সদন চলি থাকোতেই সঁচা তথ্যৰ ভিত্তিত এটা বিবৃত্তি দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

★ শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো মই কৰিম।

Mr. Speaker : Question No. 225, Questioner Shri Chandan Kr. Sarkar. Minister, Sports to reply.

বিষয় : যুৱ কল্যাণৰ আঁচনিৰ খৰচ।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

* ২২৫। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ কোনো কোনো জিলাত যুৱক যুৱতীৰ ক্ৰীড়া আৰু যুৱ কল্যাণৰ বাবে কিমান টকা ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ খৰছ কৰিছে আৰু কি কি আঁচনিত টকা খৰছ হৈছে জিলা ভিত্তিত এটি তালিকা সদনত জমা দিব নে ?

(খ) উত্তৰ শালমাৰা অভয়াপুৰী যুৱক যুৱতীৰ ক্ৰীড়া উন্নতিৰ বাবে এটি ষ্টেডিয়াম নিৰ্মাণ আঁচনি চৰকাৰৰ হাতত আছে নেকি অনুগ্ৰহ কৰি জনাবনে ?

★ শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ জিলা ভিত্তিত যুৱক যুৱতীৰ ক্ৰীড়া আৰু যুৱকল্যাণৰ বাবে আঁচনি অনুসাৰে খৰছ কৰা টকাৰ পতাকা 'ক' তালিকা সদনৰ মেজত ৰখা হ'ল।

(See the Annexure–III)

(খ) আঁচনি বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

★ শ্ৰীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা

* Speech not corrected

জানিব বিচাৰো বঙ্গাইগাওঁ জিলাত এই আঁচনি আছে নেকি ? আৰু ১৯৯১ চনৰ পৰা আজিৰ তাৰিখলৈ উত্তৰ শালমাৰাৰ যুৱক সকলৰ খেলা-ধুলাৰ কাৰণে টকা মঞ্জুৰ কৰা হৈছে নে ?

★ শ্রীইন্দ্র গগৈ (ক্রীড়া মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়· বঙ্গাইগাওঁত আছে। টকা দিয়া হৈছে। বঙ্গাইগাওঁত দিয়া হৈছে ১৯৯১-৯২ চনত ৭১ হাজাৰ, তাৰ পিছত ৯২ হাজাৰ আৰু তাৰ পিছত ১ লাখ দিয়া হৈছে। ধুবুৰীতো দিয়া হৈছে। উত্তৰ শালমাৰাত দিয়া হোৱা নাই।

* শ্রীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰো তাত যি ষ্টেডিয়াম দিছে সেই ষ্টেডিয়ামৰ বাবে ইতিমধ্যে আন টাইড ফাণ্ডত ১০ লাখ টকা মঞ্জুৰ কৰা হৈছে আৰু ২ লাখ টকা হলে ষ্টেডিয়ামখন সম্পূর্ণ হয়। গতিকে এই টকা খিনি দিয়া হব নেকি ?

* শ্রীইন্দ্র গগৈ (মন্ত্রী) : অধ্যক্ষ মহোদয়, বিবেচনা কৰি চোৱা হব।

* শ্রীমতী বেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, ক্রীড়া বিভাগৰ মন্ত্রীয়ে লিখিত প্রশ্নৰ উত্তৰত টিয়কত এখন মিনি ষ্টেডিয়াম দিয়াৰ কথা কৈছিল। ১৯৯১ চনৰ পৰা আজি ১৯৯৫ চনলৈ আজি ৫ বছৰে টিয়কত মিনি ষ্টেডিয়ামখন হৈ নুঠিল। এই মিনি ষ্টেডিয়ামৰ কাৰণে ইতিমধ্যে ২০ বিঘা মাটিও দিয়া হৈছে। গতিকে মন্ত্রী মহোদয়ে এই সদনতে টিয়কত ষ্টেডিয়ামখন দিয়াৰ কথা ঘোষণা কৰিব নে ?

* শ্রীইন্দ্র গগৈ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই জনামতে, তাত ষ্টেডিয়ামৰ বাবে মাটি দিয়া হোৱা নাছিল বাবে ইমান দিনে দিব পৰা হোৱা নাছিল। এতিয়া যদি মাটি দিছে তেতিয়াহলে পুঁজি সাপেক্ষে বিবেচনা কৰা হব।

* শ্রীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে, আগমনিত এখন ষ্টেডিয়াম দিয়াৰ কথা জনাইছিল। ইয়াৰ আগতে শ্রীমহিবুল হ'ক ডাঙৰীয়া ৰাজ্যিক মন্ত্রী হৈ থাকোতে তেখেতে মিনি ষ্টেডিয়ামৰ বাবে

★ Speech not corrected

৩ লাখ টকা দিয়াৰ কথা কৈছিলে তাৰ পৰা ১ লাখ টকা ইতিমধ্যে খৰচ কৰা হৈছে। এতিয়া কাম একেবাৰে বন্ধ হৈ আছে। এতিয়া যিখিনি কাম বাকী আছে সেইখিনি কাম কৰাৰ বাবে প্ৰয়োজনীয় পুঁজি দিব নে ?

★ শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক সেই-দিনা কোৱা হৈছে। ষ্টেডিয়ামখন নিৰ্মাণ কৰাৰ বাবে বাকী যি ২ লাখ টকা আছে সেই টকা খিনি ইনস্পেক্টৰ অৱ স্কুলৰ অধীনত আছিল। এতিয়া এই ষ্টেডিয়ামখন নিৰ্মাণৰ বাবে জিলা উপাযুক্তক দায়িত্ব দিয়া হব আৰু বাকী থকা ২ লাখ টকা খৰচ হোৱাৰ পিছত কি কি কাম বাকী থাকে সেইটো চাই সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লোৱা হব।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগতে গুৱাহাটীত এখন পূৰ্ণ পৰ্য্যায়ৰ ষ্টেডিয়াম নিৰ্মাণ কৰা হব বুলি মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল। এতিয়া মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো, গুৱাহাটী-বৰ্ষাপাৰাত প্ৰায় ৮০ বিঘা মাটি ইতিমধ্যে লোৱা হৈছে। গতিকে বৰ্ষাপাৰাত এখন পূৰ্ণ পৰ্য্যায়ৰ আটকধুনীয়া বিজ্ঞানসম্মত ষ্টেডিয়াম নিৰ্মাণ কৰাৰ ব্যৱস্থা এই বিত্তীয় বছৰতে লব নে ?

★ শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ষ্টেডিয়াম অকল গুৱাহাটীতে নহয় প্ৰত্যেকখন জিলাতে লাগে। এতিয়া অসমত মাত্ৰ দুখন ষ্টেডিয়াম আছে। এখন গুৱাহাটীত আৰু আনখন যোৰহাটত। আপোনালোকে প্ৰত্যেকেই জানে গুৱাহাটীৰ ষ্টেডিয়ামখন নিৰ্মাণ কৰিছিল বাধা গোবিন্দ বৰুৱাদেৱে আৰু যোৰহাটতত নিৰ্মাণ কৰিছিল এজন ফৰেষ্ট কনজাৰভেটৰে। তেখেতসকলৰ যত্নতে এই দুখন ষ্টেডিয়াম নিৰ্মাণ হৈছিল। মই ভাবো ডাঙৰ ডাঙৰ যিবিলাক ষ্টেডিয়াম আছে সেইবিলাক কোনো মহান ব্যক্তি বা কোনো কোনো সংগঠনৰ দ্বাৰা নিৰ্মাণ কৰা। চৰকাৰৰ ফালৰ পৰা

★ Speech not corrected

এনেকুৱা এটা দিনত এই কোটি কোটি টকা খৰচ কৰি ষ্টেডিয়াম নির্মান কৰা বৰ কঠিন। আমাৰ চৰকাৰে উত্তৰ হেঙেৰাবাৰীত বাজীৰ গান্ধী ষ্টেডিয়াম নির্মাণৰ বাবে ১০০ কোটি টকা ব্যয়ৰে এটা প্রস্তাৱ লৈছে। বর্ষাপাৰাতো পুঁজি হলে নির্মাণ কৰা হব। কিন্তু ষ্টেডিয়াম নির্মাণৰ বাবে আপোনালোকৰ লগতে বাইজৰ সহায় সহযোগ বৰ দৰকাৰী। গতিকে আপোনালোক আৰু বাইজৰ সহায় পালে ভাল হব।

★ শ্রীমিছন বঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ চহৰত ষ্টেডিয়ামৰ গেলেৰী আৰু বাউণ্ডাৰী নির্মাণ কৰাৰ কাৰণে মন্ত্রী মহোদয়ে পুজি সাপেক্ষে ব্যৱস্থা লব বুলি কৈছে। মুখ্যমন্ত্রীয়ে কৰিমগঞ্জ ভ্রমণ কৰাৰ সময়ত তেখেতে আশ্বাস দিছিল আৰু কৰিমগঞ্জত ষ্টেডিয়াম নির্মাণৰ বাবে কিছু টকাও দিয়া হৈছিল। কিন্তু এতিয়া কাম হোৱা নাই। গতিকে মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰো কৰিমগঞ্জ চহৰত ষ্টেডিয়াম নির্মাণৰ বাবে গেলেৰী আৰু বাউণ্ডাৰী নির্মাণ কৰাৰ বাবে এই বিত্তীয় বছৰত টকা দিয়া হব নে ?

★ শ্রীইন্দ্র গগৈ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়ে টকা দিবলৈ পালে মই ভালেই পাওঁ। বিভাগৰ যদি টকা থাকে আৰু আৰ দি জমা নহয় তেতিয়াহলে নিশ্চয় দিয়া হব।

★ শ্রীপানীৰাম বাভা : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে গ্রাম্যাঞ্চলৰ যুৱক-যুৱতীসকলক খেলা-ধুলাত আগবঢ়াই নিয়াৰ বাবে এটা নীতি আছিল। প্রতিটো উন্নয়ন খণ্ড এলেকাত একোখনকৈ মিনি ষ্টেডিয়াম নির্মাণ কৰাৰ কথা ঘোষণা কৰিছিল। সেই মর্মে কিছু ঠাইত নোহোৱাও নহয়। অ গ পৰ দিনতো হৈছে, এতিয়াওঁ হৈছে। এতিয়া যিবিলাকত বাকী আছে সেই বিলাক এলেকাত কেতিয়া নির্মাণ কৰা হব এই বিষয়ে ক্রীড়া মন্ত্রী বা মুখ্যমন্ত্রীয়ে জনালে ভাল হয়।

★ Speech not corrected

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, প্রতিটো উন্নয়ন খণ্ডতে একোখনকৈ মিনি ষ্টেডিয়াম নির্মাণ কৰাৰ কথা আছিল। আৰু সেইমতে কিছু হৈছেওঁ। যিবিলাকত বাকী আছে সেইবিলাকত এই বছৰ কৰিবলৈ দিয়া হৈছে। এইটো গ্রামোন্নয়ন বিভাগে কৰে।

★ শ্রীধ্রুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী ষ্টেডিয়ামৰ নির্মাণৰ বাবে ২ লাখ টকা দিয়া হৈছিল। কিন্তু এতিয়া ষ্টেডিয়ামখন কি অৱস্থাত আছে? আৰু ষ্টেডিয়ামখন নির্মাণৰ বাবে প্রয়োজনীয় টকা দিয়া হব নে মন্ত্রী মহোদয়ে জনাব লাগে।

★ শ্রীইন্দ্র গগৈ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এই প্রশ্নৰ উত্তৰ আগতে দিয়া হৈছে। তাত ৩ লাখ টকা দিয়া হৈছিল। ১ লাখ খৰচ কৰা হৈছে। বাকী দুই লাখ ইনস্পেক্টৰ অৱ স্কুলচৰ অধীনত আছে। এই টকাখিনি ডি চিক দিবৰ বাবে কোৱা হৈছে বাকীখিনি কাম পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

★ শ্রীমুনীন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁত ষ্টেডিয়াম নির্মাণৰ প্রপোজেল নাই বুলি কৈছে। এতিয়া মই জানিব বিচাৰিছো মৰিগাওঁত ষ্টেডিয়াম নির্মাণৰ প্রস্তাৱ লব নে?

★ শ্রীইন্দ্র গগৈ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁত ৰুৰেল ডেভেলপমেণ্ট বিভাগে ব্যৱস্থা লব।

Mr. Speaker : Question No. 226 Questioner Shri Zew Ram Boro. Hon'ble Chief Minister.

বিষয় : আৱণ্টিত ধন।

শ্রীজীউৰাম বড়োই সুধিছে :

★ ২২৩। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

★ Speech not corrected

[ক] সাংস্কৃতিক বিভাগত ১৯৯৪-৯৫ চনৰ আৱণ্টিত ধনৰ পৰিমানক অৱগত কৰিবনে ?

[খ] এই আৱণ্টিত ধনৰ দ্বাৰা জনজাতীয় লোকৰ সংস্কৃতি বিকাশ আৰু উন্নয়নৰ কাৰণে আঁচনি গ্ৰহণ কৰা হৈছিল নেকি ?

[গ] যদি লোৱা হৈছিল সেই আঁচনি সমূহ কি কি অনুগ্ৰহ কৰি জনাৱনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

[ক] হয় সৰ্মুঠ ৪৬৮,৫৯ লাখ টকা।

[খ] হয়।

[গ] আঁচনি সমূহ হৈছে :

১। মিছিং বিহু নৃত্যৰ প্ৰশিক্ষণ শিবিৰ।

২। মাজুলীৰ শিল্পী সমাবোহ।

৩। বিজনী সাংস্কৃতিক কেন্দ্ৰৰ বাবে সা-সৰঞ্জাম।

৪। বকো সাংস্কৃতিক কেন্দ্ৰৰ বাবে সা সামগ্ৰী।

৫। বড়ো, সোণোৱাল, কছাৰী, মিছিং আৰু দেউৰী সস্কৃতিৰ ওপৰত তথ্যচিত্ৰ নিৰ্মাণ।

৬। কোক্ৰাঝাৰ, বিজনী, ওদালগুৰি, তামোলপুৰ, দুধনৈ, বকো, নাৰায়ণ-পুৰ, ধেমাজী, জাগীৰোড, সৰুপথাৰ, সদিয়া, মাজুলী সাংস্কৃতিক কেন্দ্ৰৰ দা-দৰ্মহা আদি।

★ শ্ৰীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে জনজাতিৰ উন্নয়নৰ কাৰণে টকা দিছে। তেখেতক তাৰ বাবে ধন্যবাদ জনাইছো। এতিয়া মই এটা কথা জানিব বিচাৰিছো বৰ্তমান বিভাগৰ পৰা জনজাতীয় তথ্য চিত্ৰ নিৰ্মাণৰ কাৰণে টকা দিয়া হৈছে। কোনোবাক কাহিনী চিত্ৰ নিৰ্মাণ কৰাৰ কাৰণে ৩৮ লাখ টকা দিয়া হৈছে নেকি ? আৰু যদি দিয়া হৈছে কাহিনী চিত্ৰ খনৰ নাম কি ? আৰু যি তথ্য চিত্ৰ নিৰ্মাণৰ বাবে টকা দিয়া হৈছে, এইখনৰ নাম কি ? এই বিষয়ে বিতংকৈ কব নে ?

★ Speech not corrected

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ৰ বিতং তথ্য আমাৰ হাতত নাই। এই ক্ষেত্রত এইখিনিকে কব পাৰো যে সাধাৰণ শিতানত ধার্য্যকৰা সৰ্মুঠ ৪২ লাখ টকা জনজাতীয় উপ পৰিকল্পনাত ধৰা হৈছে। পৰিকল্পনাৰ ধনৰ পৰা বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদলৈ ১৩ লাখ টকা দিয়া হৈছে। জনজাতীয় এলেকাৰ ১২ টা সাংস্কৃতিক কেন্দ্রক ১০ লাখ টকা দিয়া হৈছে। অন্যান্য আঁচনিত ১৯ লাখ টকা দিয়া হৈছে।

★ শ্রীজীউৰাম বড়ো : মাননীয় মুখ্যমন্ত্রীয়ে পিছত জনাব বুলি কোৱাত ভাল পাইছো। মুখ্যমন্ত্রী ৩-২-৯৫ তাৰিখে কলাইগাৱঁলৈ যাওঁতে বড়োৰ ৰেডিঅ আৰু টেলিভিচনৰ কাৰণে দৰ্খাস্ত কৰিছিল। চিঠিখন ডিৰেক্টৰলৈ ৰেফাৰ কৰিছে। কলাইগাওঁ সাংস্কৃতিক কেন্দ্রলৈ ২ লাখ টকা দিব লাগিছিল। এই গ্রাণ্টটো দিবনে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : এই বিষয়টো চাবলৈ কোৱা হৈছে।

★ শ্রীআলাউদ্দিন চৰকাৰ : মই প্রশ্ন কৰিছিলো গোৱালপৰীয়া লোকগীত গুৱাহাটী দূৰদর্শন কেন্দ্রত প্রতিদিনে কিমান সময় প্রচাৰ কৰে আৰু ইয়াৰ বিশুদ্ধতা ৰক্ষাৰ বাবে কিবা ব্যৱস্থা আছে নেকি ? এই প্রশ্নৰ ভিতৰত নাহে বুলি কৈছিল। গোৱালপৰীয়া লোকগীত সংস্কৃতিৰ দায়বদ্ধতা থকা বুলি বাৰে বাৰে কৈছিল। ইয়াৰ সংৰক্ষণ আৰু সম্প্রসাৰণৰ বাবে মইনামতী অনুষ্ঠানক খিলাসীপাৰাত প্রতিশ্রুতি দি আহিছিল। গতিকে গোৱালপৰীয়া সংস্কৃতি ৰক্ষা কৰি অসমীয়া বাৰেবৰণীয়া সংস্কৃতি চহকী কৰাৰ ব্যৱস্থা গ্রহণ কৰিবনে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : গৌৰীপুৰ সাংস্কৃতিক কেন্দ্রক জড়িত কৰি মইনামতী কৃষ্টি সংঘক বুজন পৰিমাণৰ টকা দি থাকো।

Shri Parameswar Brahma : Mr. Speaker Sir, I want to

★ Speech not corrected

know from the Hon'ble Chief Minister regarding a case in Kokrajhar. Sir, there is a Cinema Production Society and so far two cinemas have been produced by it, the last one is "Khwmsi Lama." There is a provision for encouraging Tribal Cultural Development by giving the tax free benefit. The tax already paid by those Cultural Societies should be returned to them forthwith. Now I want an assurance from the Chief Minister in this matter. I have already talked to the Chief Minister for a sum of Rs. 218,000/- which has been paid by the Cinema Production Society of Kokrajhar as tax and the Chief Minister assured me to return back to the Society. I like to request the Chief Minister to see that this will be paid back at the earliest.

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : আমি এতিয়া বিত্ত নিগম কৰিছো । এই বছৰত এক কোটি টকা মঞ্জুৰী দিয়া হৈছে । নতুনকৈ আৰম্ভ কৰা প্ৰয়োজক সকলে টকা লৰ পাৰিব ।

★ শ্ৰীমতী ৰেণুপ্ৰমা ৰাজখোৱা : গোটেই উজনি অসমক সামৰি যোৰহাটত এটা আঞ্চলিক সাংস্কৃতিক কেন্দ্ৰ এই বিত্তীয় বছৰত স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিবনে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : বৰ্ত্তমান প্ৰয়োজন হোৱা নাই । প্ৰতি জিলাত সাংস্কৃতিক কেন্দ্ৰ প্ৰতিষ্ঠা কৰো । মাজুলী, যোৰহাটত বেলেগ আছে বিভিন্ন ঠাইত এই ধৰণে সাংস্কৃতিক কেন্দ্ৰ প্ৰতিষ্ঠা কৰি স্থানীয় কলা সংস্কৃতিক ৰক্ষা কৰাৰ আঁচনি আছে ।

★ Speech not corrected

★ শ্রীমতী বেণুপ্রমা বাজখোৱা : গুৱাহাটীত সাংস্কৃতিক সঞ্চালকালয় থকাৰ দৰে গোটেই উজনি অসমক সামৰি যোৰহাটত অতিৰিক্ত সঞ্চালকৰ আঞ্চলিক সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰিব নেকি ?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : এইটো পৰীক্ষা কৰা হব আৰু ফিজিবিলিটি ৰিপোৰ্ট আহিলে কৰা হব ।

* ডঃ জয়নাথ শর্মা : জনজাতি লোক সংস্কৃতি বিকাশৰ কাৰণে যি সকলক তথ্য চিত্ৰ নির্মাণ কৰিবলৈ দিয়া হয়, ইয়াৰ ভিত্তি কি ? তথ্য চিত্ৰ নির্মাণ কৰিবলৈ দিয়া কথাটো সচাঁনে ?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : তেনে ৰিপোৰ্ট নাই । কুশল কোঁৱৰ জাহ্নু বৰুৱাক দিয়া হৈছে ।

* ডঃ জয়নাথ শর্মা : তথ্য চিত্ৰ নির্মাণ কৰাৰ ভিত্তি কি ?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : কাহিনীৰ ওপৰত কৰে আৰু এক্সপার্টে চাই দিয়ে ।

Mr. Speaker : Now Question No. 227, Shri Bhupen Roy.

বিষয় ঃ নতুনকৈ মহকুমা গঠনৰ সিদ্ধান্ত ।

শ্রীভূপেন ৰায়ে সুধিছে --

★ ২২৭ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) জনসাধাৰণক প্রশাসনৰ ওচৰ চপাই অনাৰ বাবে নতুনকৈ মহকুমা গঠনৰ সিদ্ধান্ত লৈছে নেকি ?

খ) যদি লৈছে, বৰপেটা জিলাৰ কলগাছীয়া অঞ্চলক কেন্দ্ৰ কৰি নতুন মহকুমা গঠনৰ ব্যৱস্থা লৈছে নে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) তেনে কোনো সিদ্ধান্ত লোৱা নাই ।

খ) প্রশ্ন নুঠে । তথাপিও পশ্চিম বৰপেটা পূৰ অভয়াপুৰী উন্নয়ন

★ Speech not corrected

কমিটিৰ তৰফৰ পৰা স্মাৰক পত্ৰৰ মৰ্ম্মে উপায়ুক্ত বৰপেটালৈ প্ৰতিবেদন বিচৰা হৈছিল। প্ৰতিবেদন পালে বিবেচনা কৰি চোৱা হব।

★ শ্ৰীভূপেন বায় : নিৰ্ব্বাচনৰ সময়ত কলগাছীয়াত মহকুমা গঠন কৰাৰ কথা কৈছিল। গোটেই অঞ্চলটো চৰ অঞ্চল আৰু যোগাযোগৰ সুবিধা নাই। মইনবৰী, বৰতাৰী আদিত গাড়ীৰ যোগাযোগ নাই। বৰপেটালৈ আহোতে বাতি থাকিব লগা হয়। গতিকে কলগাছীয়াত মহকুমা স্থাপন কৰিবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : কমিটিত কাগজ-পত্ৰ দিয়া আছে ? ৰিপোৰ্ট দিয়া নাই।

★ শ্ৰীবদন বৰুৱা : আজি দহ বছৰ ধৰি হাজোত মহকুমা দাবী কৰি প্ৰতিবেদন দিয়া হৈছিল। মুখ্যমন্ত্ৰীয়ে লগ ধৰাত ভাবি চাম বুলি কৈছিল। এই কথাটো এতিয়াও ভাবি আছে নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : এটা মহকুমা কৰিবৰ কাৰণে আশে-পাশে থকা অঞ্চল বিলাকে আপত্তি কৰে। বঙিয়াৰ কিছু এলেকা দিব নোৱাৰো। মহকুমা কৰাৰ পিচত কিছু ঠাই ওলাই যায়। এই বিলাক অসুবিধা পাইছো।

★ শ্ৰীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইটো কথা জনাবনেকি যে নগালেণ্ড সীমান্তত চৰকাৰে মহকুমা গঠন কৰিছে। আমাৰ ধনশিৰীটো এটা মহকুমা কৰাৰ কাৰণে প্ৰস্তাৱ আগবঢ়াইছিল যে সেই অঞ্চলত মাটি সমূহ আমাৰ আয়ত্ত ৰাখিবৰ কাৰণে অসমৰ ফালৰ পৰা তাত এটা মহকুমা গঠন কৰিব লাগে বুলি প্ৰস্তাৱ আগবঢ়াইছিল লগতে মেৰাপানীটো মহকুমা পাতিব লাগে বুলি দাবি জনাইছিল। এই বিষয়ে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাব নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ডাৱত মহকুমা পতাৰ কাৰণে যিখিনি চৰ্ত পূৰণ কৰিব লাগে সেইখিনি পূৰণ কৰিব

★ Speech not corrected

পৰা নাই কাৰণে তাত মহকুমা পাতিব পৰা নাই।

★ ডা: কোষেশ্বৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনতে মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছিল যে মহকুমা গঠনৰ ক্ষেত্ৰত সংগ্ৰহ কৰিবৰ কাৰণে এটা কমিচন পাতিব লাগে তাৰ কি ব্যৱস্থা গ্ৰহণ কৰিলে।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৰিপোৰ্টটো নিগেটিভ কাৰণে ব্যৱস্থা লোৱা নহল।

★ শ্ৰীমিলন বড়ো : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত প্ৰত্যেকখন জিলাতে ২/৩ টাকৈ মহকুমা দিছে নলবাৰী জিলাত মহকুমা নাই। আমাৰ বাচকাত এটা মহকুমা দিয়াৰ কাৰণে ১৯৯২-৯৩ চনতে প্ৰস্তাৱ আগবঢ়াইছিল কিন্তু আজি পৰ্যন্ত মহকুমা দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা নাই গতিকে মুখ্যমন্ত্ৰী মহোদয়ে এই বিত্তীয় বছৰতে এটা মহকুমা দিয়াৰ ব্যৱস্থা কৰিবনে?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, তামুলপুৰৰক কেন্দ্ৰ কৰি তাত এটা মহকুমা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

★ শ্ৰীৰেনুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, যোৰহাট জিলাৰ টীয়ক সমষ্টি ১৯৮৮-৮৯ চনতে মহকুমা পতাৰ কাৰণে দাবি আহিছিল। এই প্ৰস্তাৱ ইতিমধ্যে মুখ্যমন্ত্ৰী মহোদয়ৰ হাতত আছে বুলি গম পাইছো। এইটো কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব নেকি? টীয়কত এটা মহকুমা পতাৰ কাৰণে বিত্তীয় বছৰতে সিদ্ধান্ত গ্ৰহণ কৰিবনেকি?

★ শ্ৰীলক্ষী প্ৰসাদ বৰগোহাঁই : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সকলো জিলাতে মহকুমা আছে। ডিব্ৰুগড় জিলাত মহকুমা নাই। আজি ২৫ বছৰ মৰাণবাসী ৰাইজে মৰাণত এটা মহকুমা পতাৰ কাৰণে দাবি জনাই আহিছে, তাত এটা মহকুমা পতাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে? ডিব্ৰুগড় জিলাক কেন্দ্ৰ কৰি মৰাণত এটা মহকুমা দিব লাগে।

★ শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰাগজ্যোতিষপুৰত যিটো মহকুমা

★ Speech not corrected

পাতিছে তেনেকুৱা মহকুমা নেপাতিলেও হয়। যদি দিয়ে কিবা এটা ভাল ধৰণে দিব লাগে। মই ভাবো ইতিমধ্যে যিবিলাক মহকুমা আছে সেইবিলাককে ভাল ধৰণে উন্নত কৰিব লাগে।

★ শ্রীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, আজি বিভিন্ন অঞ্চলত ৰাজ্য হ'ল, মহকুমা হ'ল কিন্তু আমাৰ গোলোকগঞ্জ অঞ্চলত একোৱেই নহল। গতিকে মাননীয় মুখ্যমন্ত্রী মহোদয়ে আমাৰ গোলোকগঞ্জ অঞ্চলত এটা মহকুমা দিয়াৰ ব্যৱস্থা গ্রহণ কৰিবনে? আমাৰ গোলোকগঞ্জতকৈ পিচত অহা প্রস্তাৱ বিলাক কার্য্যকৰী কৰা হ'ল কিন্তু আমাৰ গোলোক-গঞ্জ ৰাইজৰ দুখৰ সীমা নোহোৱা হৈছে।

★ শ্রীচন্দন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, নতুন মহকুমা গঠন কৰাৰ সম্পর্কত যাতে ৰাজনৈতিক ভাৱে সিদ্ধান্ত গ্রহণ কৰা নহয় তাৰ বাবে নজৰ দিব লাগে। যিবিলাক নতুন মহকুমা পতা হৈছে তাত নতুন প'ষ্ট চেংচন কৰা নাই। গতিকে মহকুমা দিয়াৰ আগতে নতুন প'ষ্ট বিলাক চেংচন কৰাই লব লাগে।

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মহকুমা বিলাক কৰিবৰ কাৰণে এইথ ফাইনেন্স কমিচনে যিবিলাক টকা দিছিল তাবে মহকুমা খোলা হৈছিল। কিন্তু নাইন্থ ফাইনেন্স কমিচনে টকা নিদিয়াৰ কাৰণে উন্নত কৰিব পৰা আনকি তাত আচবাবো কিনিব পৰা নাই। মৰাণৰ কথা মাননীয় সদস্য গোহাঁই দেৱে কৈছে মৰাণত এটা মহকুমা খুলিব লাগে। মৰাণখন হৈছে শিৱসাগৰ জিলাৰ এটা অংশ আৰু ডিব্রুগড় জিলাৰ এটা অংশ। যদি ডিব্রুগড় জিলাক কেন্দ্র কৰি মৰাণত এটা মহকুমা খোলা হয় তেতিয়াহলে শিৱসাগৰ জিলাৰ এটা অংশ বাদ পৰি যাব। গতিকে এইটো চোৱা চিতা কৰা হৈছে। প্রাগজ্যোতিষপুৰত এটা মহকুমা খোলা হৈছিল কিয়নো ১৯৮৪ চনতে ডিক্লেয়াৰ দিয়া হৈছিল

★ Speech not corrected

তাত নতুন বাজধানী হব। বাজধানী হলে এটা মহকুমা খুলি লোৱাৰ বাবে গুৰুত্ব দি মহকুমা খোলা হৈছিল। অৱশ্যে তাত জিলাৰে কথা আছিল। আৰু নতুন মহকুমা গঠনৰ সম্পৰ্কত বাজনৈতিক ভাবে সুবিধা দিয়া নহয়। যিবিলাক মহকুমা ইতিমধ্যে দিয়া হল সেই বিলাক উন্নত কৰাৰ কাৰণে চেষ্টা কৰা হব।

(Starred Question Nos. 228, 229 and 230 were lapsed)

Mr. Speaker : Question, No. 231, Questioner Shri P. Brahma.

Re : Water Supply Scheme :

Shri Parameswar Brahma, asked :

★ 231. Will the Minister of Municipal Administration be pleased to State.

(a) Whether there is any proposal for Supply Scheme in the Kokrajhar and Gossaigaon Town ?

Shri Debananda Konwar, (Minister Municipal Administration) replied :

(a) Yes.

★ Shri Parameswar Brahma : Sir, Kokrajhar and Gossaigaon towns are the two important towns in Kokrajhar District of Lower Assam. I think, last year our Minister had also laid foundation stone for the Kokrajhar Town for Water Supply Scheme. May I know the progress of the Water Supply Scheme. Whether such scheme would be taken up in Gossaigaon Town also ?

★ Shri Debananda Konwar (Minister, MAD) Yes, Water Supply Scheme has been sanctioned and administrative

★ Speech not corrected

approval has also been given and the estimated amount of expenditure is Rs. 602 lakhs and 70% amount will be taken as loan from the HUDCO and 30% from the State Govt. share. Now, the matter is in progress in Kokrajhar. It is already a sanctioned scheme. Therefore, we have not received any instalment. But we are making correspondences and we have not received enough money from the State Govt. share so far. This year we have proposal for Gossaigaon water supply scheme. With respect to Gossaigaon town and preparation of scheme is under progress. As soon as it is completed it will be sent to the Govt. of India and necessary steps would be arranged for Kokrajhar and Gossaigaon town.

★ শ্রীমিলন বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে জনাব নেকি কোকোৰাঝাৰত যিটো 'ওৱাটাৰ চাপ্লাই স্কীম' স্থাপন কৰা হৈছে বুলি জনাইছে সেইটো এই বিত্তীয় বছৰতে আৰম্ভ কৰা হব নেকি আৰু এই বছৰতে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

★ শ্রীদেৱানন্দ কোৱাৰ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, নিশ্চয় লোৱা হব।

★ শ্রীলক্ষী প্রসাদ বৰগোহাই : মাননীয় অধ্যক্ষ মহোদয়, মৰাণৰ নিচিনা যি বিলাক সৰু সৰু টাউন আছে সেই টাউন বিলাকত পানী যোগানৰ ক্ষেত্রত এম এ ডি বিভাগে কয় টকা নাই, ডি, আৰ, ডি, এ বিভাগে কয় টাউনত দিব নোৱাৰো। এই ধৰণৰ টাউন বিলাকত চৰকাৰী সাহার্য্য কম দিয়া হয়। লালা, মৰাণৰ চহৰ বিলাকে কেতিয়া টকা পাব।

★ Speech not corrected

তেখেত সকলে টকা নাই বুলি কৈছে। পি এইচ ইক কোৱাত সৰু সৰু চহৰত নতুন আচনিমতে ১ লাখ কৈ দিব বুলি কৈছে কিন্তু পোৱা নাই। আৰু এটা কথা কও, যোৱা বৃহস্পতিবাৰে বৰষুণ দিছিল, লগে লগে ইলেক্ট্রিচিটি বন্ধ হ'ল এতিয়ালৈকে পুনৰ দিয়া নাই এনে ধৰণৰ 'নেগ্লেক্ট' কৰাৰ কাৰণ মাননীয় মুখ্যমন্ত্রী আৰু এম, এ, ডি বিভাগৰ মন্ত্রীয়ে টাউন বিলাকত বন্ধ কৰি দিব নে? এনে ধৰণৰ সৰু সৰু টাউন বিলাকৰ উন্নয়নৰ কাৰণে কি ব্যৱস্থা গ্রহণ কৰিছে?

* শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্রত 'গভার্নমেণ্ট অৱ ইণ্ডিয়া'ৰ আচনি আছে 'এস্কিলাৰেটেড আৰবান ওৱাটাৰ চাপ্লাই স্কীম'। সেই স্কীমখনৰ অধীনত কাম কৰা হৈছে। সেইখনত ইতিমধ্যে ১১ খন আঁচনি লোৱা হৈছে যদি মৰান তাত আছে কার্য্যকৰী কৰা হব। এইটো ক্ষিপ্রতাৰে ৰূপায়িত কৰিবৰ বাবে আৰবানে ডেভেলপমেণ্ট মিনিষ্ট্রিৰ পৰা টকাৰ যোগান ধৰিব। গোটেই ১১ খনৰ নাম মোৰ লগত নাই। যি ১১ খন চিলেক্ট কৰা হৈছে তাৰ ডিটেল' প্রজেক্ট / ৰিপর্ট' দিয়াৰ কাৰনে – গোসাইগাওঁ তেনেকুৱা স্কীমৰ ভিতৰত। (ভইচ) বঙাইগাঁওও তাৰ ভিতৰত নপৰে। মই লিষ্টখন দাখিল কৰিম। ইলেক্ট্রিচিটিৰ খুটা বগৰাটো বর্ডৰ ফল্টৰ বাবে হোৱা নাই। যদি খুটা বাগৰি ইলেক্ট্রিচিটিৰ অসুবিধা হৈছে তাত পুনৰ দিয়াৰ ব্যৱস্থা কৰা হব।

* শ্রীলক্ষী প্রসাদ বৰগোহাই: মাননীয় অধ্যক্ষ মহোদয়, এই বতাহ দিয়াৰ পৰা আজি ৫ দিন ধৰি লাইট নাই। মন্ত্রী সভাত দুজনকৈ কেবিনেট মন্ত্রী থকাটো সেইটো কেনেকৈ হবলৈ পাইছে?

* শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, এই মন্ত্রী সভাত দুজন কেবিনেট পর্য্যায়ৰ মন্ত্রী নাই। এজন কেবিনেট মন্ত্রী আৰু আনজনক তেনে পর্য্যায়ৰ কাম-কাজ বিলাক চোৱাচিতা কৰিবলৈ দিয়া হৈছে।

---

* Speech not corrected

★ শ্রীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্রীয়ে টাউনত সেই বিলাক দিয়া হৈছে বুলি কৈছে। কিন্তু অসমত এনে ধৰণৰ বহুত আছে তাত কাম হোৱা নাই। গোলোকগঞ্জত পানী যোগানৰ ব্যৱস্থা আছে, কিন্তু কামত অহা নাই। ইয়াত ইলেক্ট্রিচিটি যেতিয়া ব্যতিক্রম ঘটে পানী যোগান বন্ধ হৈ যায়। তেতিয়া পি, এচ, ইক জনোৱা হয়। এই পানী যোগান বিলাক সুচাকৰূপে চলাবৰ বাবে ইলেক্ট্রিচিটি, পি, এইচ, ই যি বিলাক ইয়াৰ লগত জড়িত এই সকলোবিলাক সচেতন কৰি ৰখাৰ বাবে ব্যৱস্থা গ্রহণ কৰিব নেকি ?

★ শ্রীমুনীন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, এই পানী যোগানৰ ব্যৱস্থা মৰিগাৱঁৰ হাডকোটো কৰিব নেকি ?

★ শ্রীদেৱানন্দ কোঁৰৰ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যি বিলাক কথা কোৱা হৈছে সেই বিষয়ে মই গোটেই বিলাক কব নোৱাৰিম। বৰ্ত্তমান ভাৰত চৰকাৰৰ নতুন স্কীমত 'এস্কিলাৰেট আৰৱান ওৱাটাৰ চাপ্লাই স্কীম' আছে সেইটোত যি ১১ খন সামৰা হৈছে সেই বিলাক পর্য্যায়ক্রমে কৰিব পৰা হব।

(Starred Question Nos. 232 to 240 could not be taken up for disposal as the Question Hour was over. However, the replies of the said questions deemed to have been laid on the table of the House.)

বিষয় : মন্দিৰৰ ওচৰত জুৱা খেল।

শ্রীধ্রুৱ কুমাৰ সেনে সুধিছে :

★ ২৩২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ধুবুৰী চহৰৰ নুনিয়াপটী ছাগলহাটীত যি কালি মন্দিৰ আছে তাৰ পিচত আৰু ধুবুৰী বেলওৱে ষ্টেচনৰ হনুমান মন্দিৰৰ ওচৰত সেই ঠাইবিলাকত

★ Speech not corrected

যি গুট গুটটী (ডার্ব্ব) প্রকাশ্যে জুৱা খেল হয় এই সমন্ধে চৰকাৰে জানেনে ?

খ) যদি জানে তেনেহলে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) কথাটো সঁচা নহয় ।

খ) প্ৰশ্ন নুঠে ।

Re : Police Station At Ramkrishna Nagar

Shri Rampyare Rabidas asked :

* 233. Will the Chief Minister be pleased to state :

a) Whether in reply to Assembly Question Nos. 702 & 19 dated 4–4–94 and 12-9-94 respectively it was stated that the Ramkrishna Nagar Out Post has already been upgraded to a Police Station and Gazettee Notification is kept pending for publication.

b) If so, whether the Notification has been published ? (Please enclose a copy of Notification).

c) Why the said Police station has not yet been inaugurated ?

d) Whether the Govt. would enquire into the matter ?

e) When the Notification will be published for onward action like inauguration etc. ? (Please state what are the hindrances behind it for not publishing the same)

f) Inform the date of inauguration ?

Shri Hiteswar Saikia, (Chief Minister) replied :

a) Yes.

b) Not as yet.

c) Inauguration will be done after publication of the Notification of the Police Station. The Joint Director of Survey, Assam has been asked to verify the boundaries before publication of the Notification.

d) Government have taken steps for demarcation of boundary expeditiously.

e) Notification will be issued at the earliest.

f) After the issue of Notification.

Re : Assam Police Battalion

Shri Mission Ranjan Das asked :

* 234. Will the Chief Minister be pleased to state :

a) Whether the Government is going to fulfill its commitment of opening of one Assam Police Battalion with Head Quarter in Karimganj District ?

b) If yes, when and where ?

c) If not, state reasons there of ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) (b) (c) : If new battalion is created, it will be set up in Karimganj.

Re : Raping Case By The B. S. F.

Shrimati Pramila Rani Brahma asked.

★ 235. Will the Chief Minister be pleased to state :

a) Whether it is aware of the fact that Smti. Panbari Narzary and Smti. Ramela Wary the inhabitant of Gaurang Valley Range under the Division of Haltugaon Forest in Kokrajhar District were raped by the B. S. F. on 21st February, 1995 ?

b) If it is then whether any measure has been taken to identify the culprits for their punishment from the district administration ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Government is aware of the allegation of rape.

b) The District Magistrate of Kokrajhar has ordered a magisterial enquiry into the matter. The report of which is not yet submitted by the Enquiry Officer.

বিষয় ঃ নিয়ন্ত্রন আয়োগ গঠন।

শ্রীনজমূল হকে সুধিছে ঃ

* ২৩৬। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) অসম চৰকাৰৰ বিভিন্ন বিভাগৰ উন্নয়ণমূলক কামত দূৰ্নীতি ৰোধ কৰিবলৈ প্রতিখন জিলাৰ সদৰত সৰ্ব্বদলীয় ভিত্তিত 'নিয়ন্ত্রণ আয়োগ' গঠন কৰি দিয়াৰ ব্যৱস্থা গ্রহন কৰা হবনে ?

খ) যদি নহয় তেন্তে জিলা ভিত্তিত লোক আদালত গঠন কৰি দূৰ্নীতি দমনৰ ব্যৱস্থা কৰা হবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) কোনো প্রস্তাৱ নাই।

খ) এনে ধৰণৰ কোনো প্রস্তাৱ নাই।

বিষয় ঃ আবক্ষী বিষয়াব বিৰুদ্ধে তদন্ত ।

শ্রীমহিবুল হকে সুধিছে ঃ

★ ২৩৭ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) যোৱা ১৫/৯/৯৪ তাৰিখে মঞ্জুৰী নং ১৪ মতে আবক্ষী বিভাগৰ পৰি-পূৰক মঞ্জুৰী দাবীৰ কৰ্ত্তন প্রস্তাৱৰ বিপক্ষে প্রশ্নকৰ্ত্তাই বক্তব্য ৰখাৰ লগতে ধুবুৰীৰ আৰক্ষী বিষয়া শ্রীশ্যাম কুমাৰ চৌহানৰ বিৰুদ্ধে হত্যা, দুৰ্নীতি তথা বিভিন্ন কু-কীর্ত্তিৰ অভিযোগ উত্থাপন কৰাত মাননীয় মুখ্য-মন্ত্রীয়ে ইয়াৰ পুনৰ তদন্ত ও বিহীত ব্যৱস্থা গ্রহণৰ প্রতিশ্রুতি দিয়া সচাঁনে ?

খ) যদি সচাঁ হয়, তেন্তে পুনৰ তদন্ত কৰা হলনে ?

গ) যদি তদন্ত কৰা হৈছে, তেন্তে কোনে কেতিয়া আৰু কেনেকৈ তদন্ত কৰিলে অনুগ্রহ কৰি তদন্তৰ প্রতিবেদন সদনৰ মেজত দাখিল কৰিবনে ?

ঘ) প্রশ্ন কৰ্ত্তাকে ধৰি মাননীয় দুই / এজন বিধায়ক আৰু ৰাইজৰ বহুতো অভিযোগ থকা সত্বেও চৰকাৰে কি স্বার্থত উক্ত বিষয়াজনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্রহণ নকৰিলে, জনাবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) এই বিষয়ে খৰচি মাৰি চোৱাৰ পিছত দেখা গৈছিল যে পুনৰ তদন্ত কৰাৰ কোনো প্রয়োজন নাই ।

খ) প্রশ্ন নুঠে ।

গ) প্রশ্ন নুঠে ।

ঘ) প্রশ্ন নুঠে ।

বিষয় ঃ মন্ত্রীসকলৰ আৰু ভি, ভি, আই, পি সকলৰ ভ্রমণ ৰানচৰ খৰচ সম্পর্কে ।

শ্রীদিলীপ শইকীয়া আৰু শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

★ ২৩৮ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) বর্তমানৰ চৰকাৰে কার্য্যভাৰ লোৱাৰ পৰা বর্তমানলৈকে—

মন্ত্রীসকলৰ ভ্ৰমণ বানচৰ বাবদ্ কিমান টকা খৰছ কৰা হল ?
বিভাগ অনুসৰি কোন মন্ত্রীয়ে কিমান টকা খৰছ কৰিছে ?
ভি, ভি, আই পি সকলৰ বাবদ কিমান টকা খৰছ কৰা হৈছে ?

এখন তালিকা দাখিল কৰিব ।

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) মন্ত্রীপৰিষদৰ সদস্য সকলৰ কার্য্যভাৰ লোৱাৰ পৰা বৰ্ত্তমানলৈকে ভ্ৰমণ বানচৰ বাবদ খৰছ হোৱা টকাৰ মুঠ পৰিমাণ হল ১, ৫০, ১৫,৪২৭ টকা (এক কোটি, পঞ্চাশ লাখ, পোন্ধৰ হাজাৰ, চাৰিশ সাতাইশ টকা)
মন্ত্রী পৰিষদৰ সদস্য সকলৰ নাম আৰু ভ্ৰমণ বানচ সম্বলিত (কার্য্যভাৰ লোৱাৰ পৰা বৰ্তমানলৈকে খৰচ হোৱা টকাৰ পৰিমাণৰ) এখন তালিকা সদনৰ মেজত ৰখা হৈছে । (See the Annexure-IV)
ভি, ভি. আই, পি সকলৰ বাবদ মুঠ ১,১৯,২৭,০৫২.৩৬ টকা (এক কোটি, উনৈশ লাখ, সাতাইশ হাজাৰ, বাৱন্ন টকা ছয়ত্রিশ পইচা) খৰচ কৰা হৈছে । ইয়াৰ ভিতৰত মুঠ ৩২,৬৪,৩৩৪.০০ টকাৰ (বত্রিশ লাখ, চৌষষ্ঠি হাজাৰ, তিনিশ চৌত্রিশ টকা) অনুমোদন আছে ।

বিষয় ঃ যৌতুকৰ বাবে মৃত্যু ।

শ্রীবদন বকৰাই সুধিছে :

★ ২৩৯ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) অসমত যোৱা ১৯৯২, ১৯৯৩ আৰু ১৯৯৪ চন তিনিটাত যৌতুকৰ বলি স্বৰূপে কিমান মহিলাৰ মৃত্যু হৈছে আৰু কিমান গৰাকী মহিলা যৌতুক সম্পৰ্কীয় কথাত হাৰাশাস্তি পাইছে ?

খ) যৌতুক সম্পৰ্কীয় ঘটনাৰ ভিত্তিত বৰ্ত্তমানে আদালতত কিমান গোচৰ চলি আছে । জিলা ভিত্তিত তথ্য দিবনে ?

গ) অসমত বৰ্ত্তমানে কিমান মহিলা আদালত আছে ?

ঘ) যৌতুকৰ সামাজিক অপকাৰিতা সম্পৰ্কে সমাজ সচেতনতা গঢ়িবলৈ

কাবে কি ব্যৱস্থা লৈছে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) মুঠ ৭১ গৰাকী মহিলাৰ যৌতুক সম্পৰ্কীয় বিষয়ত মৃত্যু হৈছে। ৮১০ গৰাকী মহিলা হাৰাশাস্তিৰ সন্মুখীন হোৱা বুলি জানিব পৰা হৈছে।

খ) যৌতুক সম্বন্ধীয় 'চাৰ্জ-চিট' হোৱা গোচৰৰ সংখ্যা ৩২ টা জিলা ভিত্তিত তথ্যৰ তালিকা পৰিশিষ্ট ক'ত (Annexure–A) দেখুউৱা হৈছে।

(See the Annexure–V)

গ) গুৱাহাটীত এখন 'ফেমিলি ক'ৰ্ট' আছে।

ঘ) জনসংযোগ মাধ্যমৰদ্বাৰা সামাজিক সচেতনতা বৃদ্ধি কৰিবলৈ প্রয়াস কৰি থকা হৈছে।

বিষয় ঃ Fund *টকা*।

শ্রীযতীন মালীয়ে সুধিছে ঃ

★ ২৪০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) বাজ্যিক চৰকাৰৰ প্রতি গৰাকী মন্ত্রীৰে Discretionary fund থকাটো হয়নে ? (বিতং ভাৱে জনাব)।

খ) উক্ত Fund খৰচ কৰা সম্পৰ্কত কিবা নীতি নিয়ম আছেনে, নে পৰম্পৰামতে চলে ?

গ) নীতি নিয়ম, নিৰ্দ্দেশনা যদিহে আছে কি কি বাক ? (কপি দিয়ে যেন)

ঘ) একোটা বিত্তীয় বছৰত কোনো মন্ত্রীয়ে এনে Fund ৰ টকা সময়মতে সম্পূৰ্ণকৈ খৰচ কৰিব নোৱাৰাটো সঁচানে ?

ঙ) যোৱা দুটা বিত্তীয় বছৰত (১৯৯২-৯৩, ১৯৯৩-৯৪) এনে Fund মন্ত্রী-সকলে ক'ত ক'ত কেনে ধৰনে কৰিলে জনাবনে ?

শ্রীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) হয়। প্রতি বছৰে বিত্ত বিভাগৰ (EC–II) বিভাগে বাজ্যিক চৰ-

চৰকাৰৰ কেবিনেট, পৰ্য্যায়ৰ মন্ত্ৰী সকল আৰু মুখ্যমন্ত্ৰীৰ বাবে ঐচ্ছিক পুঁজি মঞ্জুৰ কৰে।

খ) নীতি নিয়ম আছে।

গ) ১৯৮৩ চনৰ অসম বিত্তীয় নিয়মৰ ৫১৮ নং দফামতে খৰচ কৰিব লাগে। (অসম বিত্তীয় নিয়মৰ ৫১৮ নং দফাৰ প্ৰতিলিপি এখন দাখিল কৰা হ'ল।) (See the Annexure-VI)

ঘ) সঁচা নহয়।

ঙ) সমগ্ৰ ৰাজ্যৰ কিছু দুখীয়া ব্যক্তি, ছাত্ৰ-ছাত্ৰী, ৰুগ্ন ব্যক্তি, সাংস্কৃতিক তথা ক্ৰীড়ানুষ্ঠান আদিক মন্ত্ৰী সকলে ১৯৯২-৯৩, ১৯৯৩-৯৪ চনত নিজ নিজ ঐচ্ছিক পুঁজিৰ পৰা টকা মঞ্জুৰ কৰে।

বিষয় ঃ ধুবুৰী চহৰৰ খোৱা পানী।

শ্ৰীধ্ৰুৱ কুমাৰ সেনে সুধিছে :

১। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ধুবুৰী চহৰত বিশুদ্ধ খোৱা পানীৰ বাবে চৰকাৰে যিটো আচনি লোৱা আছে, এই আচনিৰ কামটো ২/৩ বছৰ ধৰি আধকৰা হৈ থকাৰ কাৰণ কি?

খ] এই আচনিটোৰ কাম কেতিয়া সম্পূৰ্ণ কৰিব অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীদেবানন্দ কোঁৱৰ : [পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী] য়ে উত্তৰ দিছে :

ক] আৱশ্যকীয় পুঁজিৰ অভাৱতেই আচনিৰ কামটো আধকৰা হৈ আছে।

খ) পৰিকল্পনা শিতানৰ আৱশ্যকীয় পুঁজি আৰু HUDCO ৰ পৰা পাবলগীয়া ঋণ সময়মতে পালে অহা দুবছৰৰ ভিতৰত আচনিখনৰ কাম সম্পূৰ্ণ কৰিব পৰা যাব।

★ ডঃ জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অৱ অৰ্ডাৰ চাব, যি সময়ত মাননীয় সদস্য গৰাকীয়ে প্ৰশ্ন উত্থাপন কৰিছিল সেই সময়ত মাননীয় মন্ত্ৰী মহোদয় আসনৰ পৰা উঠি গৈছে। অধ্যক্ষ মহোদয়, ইয়াৰ

★ Speech not corrected

এটা বিচাৰ লাগে। প্ৰশ্ন চলি থকা সময়ত মন্ত্ৰী মহোদয় কিয় উঠি গৈছে। মন্ত্ৰী মহোদয়ে হাউচৰ পৰা ওলাই গৈ সদনক অৱমাননা কৰিছে।

★ Shri Debananda Konwar [Minister, MAD] : There is no question of disrespecting the House.

মাননীয় অধ্যক্ষ : প্ৰশ্নটো শুনিব লাগিছিল। এতিয়া মন্ত্ৰীয়ে উত্তৰ দিয়ক।

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাত যি আঁচনি আছে তাত এজন কাৰ্য্যবাহী অভিযন্তা ৰখা হৈছে। সেই আঁচনিৰ কাম-কাজ চলি আছে। কিন্তু আমি হুডকোৰ পৰা এই ক্ষেত্ৰত কোনো স্কীম পোৱা নাই। সেই কাৰণে কামৰ অগ্ৰগতি হোৱাত বাধা-প্ৰাপ্ত হৈছে। তাৰোপৰি তাত কিছুমান টেকনিকেল ডিফিকাল্টিজ আছে। সেইবোৰ পৰীক্ষা কৰিবৰ কাৰণে টেকনিকেল এক্সপাৰ্ট দি পৰীক্ষা কৰোৱা হৈছে। এই আঁচনিৰ কাৰণে যি মাটি দিয়া হৈছে সেই প্লুতটো বৰ সৰু। অৰিজিনেলি তাত কাম আৰম্ভ কৰিছে। প্লুতটো সৰু হৈছে তাক ডাঙৰ কৰিব লাগে। অধ্যক্ষ মহোদয়, হুডকোৰ পৰা বাজ্য চৰকাৰে যি ৩০ শতাংশ দিছে সেইটো পোৱা নাছিল। সেইবিলাকৰ কিছুমান টকা ইতিমধ্যে ৰিলিজ কৰি দিছে। টেকনিকেল ৰিপোৰ্ট এতিয়াও দাখিল কৰা নাই। Sanctioned Scheme is already in progress. অধ্যক্ষ মহোদয়, যি ৰেতত আমি আগবাঢ়িব লাগিছিল সেই হিচাবে আগবাঢ়িব পৰা নাই। হুডকোৰ পৰা ঋণ নোপোৱা কাৰণে আমি আশানুৰূপ ভাৱে আগবাঢ়িব পৰা নাই। পুজি পালে এই বছৰ ক্ষিপ্ৰ গতিত কামত আগবাঢ়িব পাৰিম।

★ শ্ৰীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো হৈছে এই আঁচনিৰ কাম কেতিয়া সম্পূৰ্ণ হব। মন্ত্ৰী মহোদয়ে ইয়াৰ এটা স্পষ্ট উত্তৰ দিব লাগে।

★ Speech not corrected

★ শ্রীদেবানন্দ কোঁৱৰ [মন্ত্রী] : মাননীয় অধ্যক্ষ মহোদয় আঁচনি সম্পূর্ণ কৰাত হুডকোৰ লোন পোৱাৰ ওপৰত নির্ভৰ কৰিব। আমি সোনকালে কৰাৰ চেষ্টা কৰিম। যিহেতু ফাণ্ডৰ ওপৰত নির্ভৰ কৰিছে গতিকে নির্দ্দিষ্ট সময় দিয়াটো সম্ভৱ নহব।

মাননীয় অধ্যক্ষ : তাকৰীয়া সময়ৰ প্রশ্নত সকলোকে চাপ্লিমেণ্টৰী কৰিবলৈ দিব নোৱাৰি।

★ ডঃ জয়নাথ শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, যিটো সময়ত মাননীয় সদস্য গৰাকীয়ে প্রশ্ন কৰিছিল সেই সময়তে মাননীয় মন্ত্রী মহোদয়ে সদন ত্যাগ কৰিছিল, কিন্তু কিয় ? মন্ত্রী মহোদয়ে সংলিষ্ট প্রশ্নৰ সময়ত কিয় উঠি গৈছিল সদনক অৱগত কৰক।

মাননীয় অধ্যক্ষ : এই ক্ষেত্রত মই ইতিমধ্যে ৰুলিং দিছো।

Re : Water Supply.

Shri Sasha Kamal Handique asked :

520. Will the Minister, Municipal Administration be pleased to state.

a) Whether Government has undertaken any scheme to out lay the lodging water in the Ward No. IV of Naharkatia Town Committee by constructing drain etc. ?

b) If not whether Government will seriously take up such scheme, as preventive measure for spreading epidemic during summer ?

Shri Debananda Konwar, [Minister, Municipal Administration] replied.

a) No such specific scheme was taken up by Govt.

b) No such scheme have been taken up under the sec-

★ Speech not corrected

tor programme in the annual plan 1995-96. However grant for clearance of P. W. D. roads side drains released to Local Bodies are utilised for the purpose.

বিষয় ঃ মহকুমা ঘোষণা ।

শ্রীমহেন্দ্র বড়াই সুধিছে ঃ

৫২১ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) তিতাবৰ অঞ্চলটো মহকুমাৰূপে ঘোষণা কৰা কিবা আচঁনি আছেনে ?

খ) যদি আছে, কেতিয়া ঘোষণা কৰিব ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) আছে ।

খ) জিলা মহকুমা আদি গঠনৰ ক্ষেত্রত গঠন কৰি দিয়া কমিটিৰ পৰা প্রতিবেদন পালে বিবেচনা কৰি চোৱা হব ।

বিষয় ঃ চৰকাৰী ভাষা প্রচাৰ ঃ

শ্রীবেণুপমা ৰাজখোৱাই সুধিছে ঃ

৫২২ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) তথ্য আৰু জনসংযোগ বিভাগৰ পৰা চৰকাৰে দূৰদর্শনযোগে প্রচাৰ কৰা চৰকাৰী বিভাগৰ কাম-কাজ সমূহ চৰকাৰী ভাষা ব্যৱহাৰ কৰিব লাগে বুলি ঘোষণা কৰামতে চৰকাৰী ভাষা বিভাগ বিলাকত প্রয়োগ কৰা হৈছেনে ?

খ) যদি হোৱা নাই ঘোষণা কৰামতে চৰকাৰে সাধাৰণ শ্রেণীৰ ৰাইজৰ সুবিধাৰ বাবে অতি সোনকালে চৰকাৰী ভাষা ব্যৱহাৰ কৰি উপকৃত কৰিবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) চৰকাৰী বিভাগৰ কাম-কাজসমূহ যথাসম্ভৱ চৰকাৰী ভাষাতে কৰা হয় । চৰকাৰী ভাষা আইনমতে ব্রহ্মপুত্র উপত্যকাত, অসমীয়া, পুৰণি কাছাৰ

জিলাত বঙালী, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰত ইংৰাজী, বড়োলেণ্ড এলেকা আৰু ওদালগুৰি মহকুমাত বড়ো ভাষাক সহযোগী ভাষা হিচাবে ব্যৱহাৰ কৰা হয়।

খ] ৰাজ্যখনৰ সমূহ চৰকাৰী কাৰ্য্যালয়ত ভাষা ব্যৱহাৰ কৰাৰ বাবে চৰকাৰে সময়ে সময়ে অধিসূচনা, বিজ্ঞাপন আদিৰ জৰিয়তে চৰকাৰী বিষয়া কৰ্মচাৰীৰ মাজত সচেতনতা বৃদ্ধি কৰাৰ উপৰিও আলোচনা চক্ৰ, কৰ্মশালা আদিৰ দ্বাৰা জনসাধাৰণকো সামৰি লোৱা হয়।

বিষয় ঃ অনুজ্ঞা পত্ৰ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

৫২৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :-

ক) মাছখোৱাৰ পৰা উচ্ছেদ হোৱা ব্যৱসায়ী সকলক আদাবাৰী বাছষ্টেণ্ডৰ মাটিত ব্যৱসায় কৰাৰ বাবে গুৱাহাটী পৌৰ নিগমে দোকানৰ বাবে অনুজ্ঞাপত্ৰ দিয়া কথাটো চৰকাৰ অৱগতনে ?

খ) উক্ত অনুজ্ঞাপত্ৰ সমূহ তেতিয়াৰ মাননীয় ৰাজ্যপাল শ্ৰীদেৱী দাস ঠাকুৰে গুৱাহাটী পৌৰ নিগমক নিৰ্দ্দেশ দিয়া কথাটো সচানে ?

গ) যদি সচা হয়, তেনেহলে কিমানজন ব্যৱসায়ীক অনুজ্ঞাপত্ৰ দিয়া হৈছিল আৰু ইয়াৰ বাবে ব্যয়সায়ী সকলে গুৱাহাটী পৌৰ নিগমক মাচুল জমা দিয়া কথাটো সচানে ?

ঘ) যদি সচা হয়, তেনেহলে ব্যৱসায়ী সকলক দোকান খুলিবৰ বাবে মাটি দিয়া হ'ল নে নাই ?

ঙ যদি দিয়া নাই, কিয় দিয়া হোৱা নাই জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অনুজ্ঞাপত্ৰ দিয়া হোৱা নাই।

খ) নাই।

★ Speech not corrected

গ)
ঘ) } উপৰোক্ত (ক) আৰু (খ) প্ৰশ্নৰ উত্তৰ মতে প্ৰশ্ন নুঠে ।
ঙ)

Re : Prevention Of Infiltration.

Shri Samarendra Nath Sen asked :

524. Will the Chief Minister be pleased to state :

a) In reply to an Unstarred Question No. 8 dated 12-9-94 the Government replied that many steps taken for prevention of infiltration from accross the Indo-Bangladesh Border ?

b) Is it a fact that still there is infiltration causing havoc in Assam ?

Shri Hiteswar Saikia (Chief Minister) replied.

a) Yes.

b) There have been attempts to infiltrate into Assam. But the Government is taking all steps to prevent it.

বিষয় ঃ বিজ্ঞাপনৰ বাবদ পৰিশোধ কৰিব লগা টকা ।

ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ

৫২৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসম চৰকাৰে ১৯৯০-৯৫ চনৰ ভিতৰত কোন কোন বাতৰি কাকতক বিজ্ঞাপনৰ বাবদ কিমান টকা পৰিশোধ কৰিব লগীয়া হৈছে ? [বছৰ ভিত্তিত তলত দিয়া ধৰণে তথ্য সদনৰ মেজত দাখিল কৰিব]

বছৰ	বাতৰিৰ নাম	বিজ্ঞাপনৰ বাবদ পাবলগীয়া ধন	আদায় দিয়া ধন	আদায় দিবলৈ বাকী থকা ধন

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

বাতৰি কাকতৰ বিজ্ঞাপন কেন্দ্রীয়কৰণ কৰাৰ পৰা অর্থাৎ ১৯৯২ চনৰ এপ্রিল মাহৰ পৰা ১৯৯৫ চনৰ ফেব্রুৱাৰী মাহলৈ বছৰ ভিত্তিত কোন কোন বাতৰি কাকতক বিজ্ঞাপনৰ বাবদ কিমান টকা পৰিশোধ কৰা হ'ল আৰু কিমান টকা পৰিশোধ কৰিবলৈ বাকী আছে সংলগ্ন প্রতিবেদনত দেখুৱা হ'ল।

(See the Annexure-VII)

Re : Killing Of Five Youths

Shri Promode Gogoi asked :

526. Will the (Chief Minister) be pleased to state :

a) Whether the Army brutally killed Five Youths in Dhola, Doomdoma, Tinsukia District, during February, 1994 in the name of false encounter ?

b) If so, action taken against guilty personnels of the Army ?

Shri Hiteswar Saikia (Chief Minister) replied.

a) & b) The Hon'ble High Court has taken up case in this regard and hence the matter is subjudiced.

Re : Fire Brigade Sub - Centre.

Shri Kali Ranjan Deb, asked :

527. Will the Chief Minister be pleased to state :

a) In reply to unstarred Question No. 15 dated 12.9.94 Hon'ble Chief Minister was please to State that, establishment of a Fire Brigade Sub - Centre at Kalain,

in Katigora Circle of Cachar District was under consideration of the Government.

b) Now, whether the Government have considered the matter at length and felt necessity of establishing on fire brigade sub-centre there in response to the urgent need of the people of vast area ?

e) If so, when the Sub-Centre can be established.

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes.

b) Yes.

c) Establishment of the Sub – centre will be considered as soon as the fund for the purpose proposed in the budget is made available.

বিষয় ঃ যান বাহন নিয়ন্ত্রণৰ সুচল ব্যৱস্থা ।

শ্রীপবিম্‌ল শুক্লবৈদ্যই সুধিছে ঃ

৫২৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) গুৱাহাটী মহানগৰীৰ যান-বাহন নিয়ন্ত্রন ব্যৱস্থা সুচল কৰাৰ বাবে টুৰিষ্ট ওমনি বাছবোৰৰ মহানগৰীত প্রৱেশৰ কিছু সালসলনি কৰি জালুকবাৰীৰ পৰিবর্ত্তে লখৰা চাৰিআলি কৰাৰ কথা মহোদয়ে জ্ঞাত নেকি ?

খ] মহানগৰীত উক্ত বাছ সমূহৰ প্রৱেশ পথ সাল-সলনিৰ ফলত লখৰা চাৰিআলিৰ পৰা পল্টন বজাৰলৈ যান-বাহন নিয়ন্ত্রণ ব্যৱস্থা অতি নিম্নগামী হৈছে বুলি জানিও কোনো ধৰণৰ ব্যৱস্থা আজিলৈকে কৰা নাই কিয় ?

শ্রীহিতেশ্বৰ শইকীয়া [মুখ্যমন্ত্রী] য়ে উত্তৰ দিছে ঃ

ক] হয়, জ্ঞাত ।

খ] কথাটো সত্য নহয় ।

বিষয় ঃ ছপাশালৰ সংখ্যা ।

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

৫২৯ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) চৰকাৰী আৰু বে-চৰকাৰী ছপাশালৰ সংখ্যা কিমান ?

খ) চৰকাৰী ছপাকাম সমূহ কেৱল চৰকাৰী ছপাশালতে কৰা হয়নে ?

গ) যদি নহয় বে-চৰকাৰী ছপাশালত কি ভিত্তিত ছপা কাম কৰিবলৈ দিয়া হয় ?

ঘ) চৰকাৰী, বে-চৰকাৰী ছপাশাল থকা স্বত্বেও চৰকাৰী ছপাকাম সমূহ ৰাজ্যৰ ৰাহিৰৰ ছপাশালতো দিয়া হয়নে ?

ঙ] যদি হয়, তাৰ কাৰণ কি ?

শ্রীহিতেশ্বৰ শইকীয়া [মুখ্যমন্ত্রী] য়ে উত্তৰ দিছে ঃ

ক] তিনিটা চৰকাৰী ছপাশাল আছে । বে-চৰকাৰী ছপাশালৰ তথ্য বিভাগত নাই ।

খ] প্রায়ভাগ চৰকাৰী ছপাকাম চৰকাৰী ছপাশাল তিনিটাত কৰা হয় ।

গ] কেতিয়াবা চৰকাৰী ছপাশালত নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ছপা কৰা সম্ভৱ নহলে সেই কামবোৰ চৰকাৰৰ অনুমোদিত ছপাশালত কৰা হয় ।

ঘ] কোনো ছপাকাম ৰাজ্যৰ ৰাহিৰৰ ছপাশালত দিয়া হোৱা নাই ।

ঙ] প্রশ্ন নুঠে ।

[Unstarred Question No. 530 was postponed]

বিষয় ঃ অগ্নি নিৰ্বাপক উপকেন্দ্ৰ স্থাপন ।

শ্রীজীউৰাম বড়োই সুধিছে ঃ

৫৩১ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক] মাননীয় অসমৰ মুখ্যমন্ত্রী মহোদয়ৰ ইউ/ও চি এম এচ [আৰ] ৭৮/৯৪, তাৰিখ ২৯-১১-৯৪ চিঠিখনৰ বিষয় অবগত নে ?

খ] যদি অবগত তেতিয়া হলে উক্ত চিঠিখনৰ মৰ্মে দৰং জিলাৰ কলাই গাওঁ সমষ্টিৰ কলাইগাওঁ আৰু খৈৰাবাৰীত ফায়াৰ চাভিচ চাব চেণ্টাৰ খোলাৰ

বাবে কি কি ব্যৱস্থা লৈছে অনুগ্রহ কৰি জনাবনে?

শ্রীহিতেশ্বৰ শইকীয়া [মুখ্যমন্ত্রী] য়ে উত্তৰ দিছে :

ক) হয়, অবগত।

খ) বৰ্তমান চলিত বছৰত বিত্তীয় অৱস্থা ভাল নথকা বাবে দৰং জিলাৰ কলাইগাওঁ আৰু খৈৰাবাৰীত অগ্নি নিৰ্বাপক উপকেন্দ্ৰ স্থাপনৰ বাবে কোনো ব্যৱস্থা লব পৰা নাই। বিত্তীয় অৱস্থা সুচল হলে অহা বছৰ ১৯৯৫-৯৬ চনত উক্ত উপকেন্দ্ৰ দুটা খোলা সম্পৰ্কত বিবেচনা কৰা হব।

Re : Implementation of declared Civil Sub – Divisions,

Shri Rampyare Rabidas asked :

532. Will the Chief Minister be pleased to state :

a) Is it fact that RAMKRISHNA NAGAR was declared as a outlying Civil Sub-Division in the Karimganj District along with few other Sub-Divisions in the State ? If yes, when [Date of its declarations] Mention the names of Sub-Divisions which were declared from the date of declaration of R. K. Nagar Sub-Division to till now ?

b) Whether all of these declared Sub-Divisions including Ramkrishna Nagar were already implemented ?

If yes, when ?

If not. why ?

c) Is it fact that the Government of Assam has received Rs. 3,29,19000 from the 7th Finance Commission of India for creations of few Sub-Divisions including

Ramkrishna Nagar?

If yes, has the fund (for R. K. Nagar) been diverted to other purpose ?

d] Whether it is a fact that different Committees constituted by th State Government have submitted their views (Report) to the Governnient in favour of implementing the declared Ramkrishna Nagar Civil Sub-Divisions with its head Quarter at Ramkrishna Nagar ?

If yes, why it is not implemented yet ?

Shri Hiteswar Saikia (Chief Minister] replied :

a] No, Ramkrishna Nagar was not declared as Sub Division till now.

Does not arise.

Dose not arise.

b] Does not arise.

c] Yes, State Government have received, Rs. 3,2919000 from 7th Finance Commission of India for creation of Districts/ Sub Division.

No, fund has been diverted.

d] No.

বিষয় : শিল্পী পেঞ্চন ।

শ্রীবদন বরুৱাই সুধিছে :

৫৩৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) অসম চৰকাৰে কিমান গৰাকীক শিল্পী পেঞ্চন দি আছে ?

খ) শিল্পী সকলে সময়মতে পেঞ্চন পায় নে?

গ) কিমান শিল্পীয়ে এতিয়ালৈকে পেঞ্চন টকা পাব আৰু সেই টকাৰ পৰিমান কিমান ?

ঘ) বাজ্যিক চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে অসম সাহিত্য সভাৰ ঘৰ-ভাড়া লোৱা বাবদ ভাড়া দিব লগীয়া আছে নেকি ?

ঙ) যদি আছে, কিমান টকা দিবলগীয়া আছে আৰু কেই বছৰৰ পৰা দিব আছে ?

চ) অসমৰ আন আন ঠাইত সাংস্কৃতিক কেন্দ্ৰ সমূহ থকা ঘৰভাড়াও দিবলৈ বাকী আছে নেকি ?

ছ] যদি আছে, সেই ববেয়া বাকীৰ টকা কিমান ?

জ] শিল্পী সকলৰ পেঞ্চন দুই হাজাৰ টকালৈ বৃদ্ধি কৰাৰ কথা ভাবিছেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া [মুখ্যমন্ত্ৰী] য়ে উত্তৰ দিছে :

ক] ১৪২ গৰাকী শিল্পীক পেঞ্চন দি থকা হৈছে ।

খ] হয় পাই আছে ।

গ] ২৭ গৰাকীয়ে পাব আছে আৰু টকাৰ পৰিমান হ'ল ৩.২৪ লাখ ।

ঘ] হয় আছে ।

ঙ] ৬,৯৫২.৪০ টকা, ১।১।৯৪ পৰা ২৮।২।৯৫ লৈ দিবলৈ আছে ।

চ] হয় আছে ।

ছ] ৮,৭,২০০/- টকা দিবলৈ আছে ।

জ] শিল্পী পেঞ্চন দুই হাজাৰ টকালৈ বৃদ্ধি কৰাৰ ক্ষেত্ৰত কোনো সিদ্ধান্ত লোৱা হোৱা নাই ।

Re : Plea To Free Hostage

Shri Mission Ranjan Das asked :

534. Will the Chief Minister be pleased to state :

a) Whether the news item under caption "Plea to free hostage" appeared in the local daily namely 'the Sentinal' dt. 18.2.95 has come to the notice of the Govrnment ?

b) If yes, whether the Government has rescued the hostage Shri D.K. Das, an engineer who has been abducted by some unidentified youth on 14th September, 1994 from Salakati Power Grid Sub-Station ?

c) If yes, what is his where-about now and if not, state reasons there of ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes

b) He has not been yet rescued.

c) Police authorities are doing their best for safe release of Shri D. K. Das.

বিষয় ঃ সাংস্কৃতিক কেন্দ্র স্থাপন।

শ্রীপ্রণব কুমাব নাথ জিজ্ঞাসা কবছেন ঃ

৫৩৫। মাননীয় মুখ্যমন্ত্রী মহোদয় অনুগ্রহ কবিয়া জনাবেন কি ঃ

ক) সমগ্র আসামে সর্বমোট কয়টি সাংস্কৃতিক কেন্দ্র আছে জিলা ভিত্তিক তালিকা সদনের মেজে দাখিল কবিবেন ?

খ) বরাক উপত্যকার করিমগঞ্জ, কাছাড়ও হাইলাকান্দি জেলায় কোন সাংস্কৃতিক কেন্দ্র আছে কি ? যদি হয় কোথায়, যদি না কেন ?

গ) ১৯৯৫-৯৬ অর্থবর্ষে কবিমগঞ্জ, কাছার ও হাইলাকান্দি জিলায় একটি করে সাংস্কৃতিক কেন্দ্র স্থাপনের ব্যবস্থা করবেন কি ? যদি না কেন ?

শ্রীহিতেশ্বব শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তব দিছে।

ক) সর্ব্বমুঠ ৮ টা সাংস্কৃতিক কেন্দ্র আছে।

খ) ববাক উপত্যকাব হাইলাকান্দিত এটি সাংস্কৃতিক কেন্দ্র আছে।

গ) কাছাড় জিলাৰ শিলচৰত ইতিমধ্যে এটি সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ অনুমোদন দিয়া হৈছে। কৰিমগঞ্জ জিলাৰ বাবে কৰিমগঞ্জত আৰু এটি সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয় ঃ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে ঃ

৫৩৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা বৰ্ত্তমানলৈ ৰাজ্যখনত উগ্ৰপন্থীৰ বিৰুদ্ধে চলোৱা বিভিন্ন অভিযানত মুঠতে (১) অস্ত্ৰ-শস্ত্ৰ / গোলাবাৰুদ আৰু (২) নগদ ধন উদ্ধাৰ কৰিছে ?

খ) এনেদৰে উদ্ধাৰ হোৱা নগদধন বৰ্ত্তমান কাৰ জিম্মাত ৰখা হৈছে ?

গ) এই সময়চোৱাত উগ্ৰপন্থীয়ে আত্মসমৰ্পণৰ সময়চোৱাত জমা দিয়া অস্ত্ৰ-শস্ত্ৰ গোলাবাৰুদৰ পৰিমাণ কিমান ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) সৰ্ব্বমুঠ ১০৬৬ টা বিভিন্ন ধৰণৰ অস্ত্ৰ-শস্ত্ৰ, ২০০ টা বোমা/গ্ৰেণেড, ৪৭৪৮ টা গোলা, ৪৪২ টা ডিট'নেটৰ, ১৩৩ টা আৰু ২ কিলোগ্ৰাম জিলেটিন ষ্টিক / জিলেটিন, ৩৭ টা আই-ই-ডি মাইন, ২ কিলোগ্ৰাম / ৭৬৮ মিটাৰ তাঁৰ, ১৭ টা মেগজিন, ১৫ টা বেৰেল, ৬ টা বাট, ১৩ টা চাৰ্জাৰ, ১০০ গ্ৰাম টি-এন-টি পাউদাৰ, ২৮০০ গ্ৰাম গান-পাউদাৰ আৰু এটা মৰ্টাৰ (২) ৩, ৯৭,১৫, ৭১০.০০ টকা (তিনি কৌটি সাতানব্বৈ লাখ পোন্ধৰ হাজাৰ সাতশ দহ টকা) উদ্ধাৰ কৰা হৈছে।

খ) কোষাগাৰত — ৩০১৪০৮৪.৮০ টকা

SBI (Suspense A/C)ত ২৯৬০১৯২০.০০ টকা

ব্যক্তিগত জিম্মাত — ৬৫,৫১৫০০.০০ টকা

মালখানাত — ২৪০৯৮৪.৫০ টকা

আদালতত — ৫০০০.০০ টকা জমা ৰখা হৈছে।

গ) ৪০৫০ বিধ অস্ত্র-শস্ত্র, ১২০৪৯ ৰাউণ্ড গুলী, ২১০ টা বোমা/গ্রেনেড, ৪৪৪ টা ডিটনেটৰ, ১৭ টা মেগাজিন, ৪০ টা আই-ই-ডি, ১৫ টা ৱেৰেল, ১৩ টা চার্জাৰ, ১১০ গ্রাম টি-এন-টি আৰু ২৮০০ গ্রাম গান পাউদাৰ উল্লেখযোগ্য ।

Re : Cognizable Offence

Shri Sahidul Alam Choudhury asked :

537. Will the Chief Minister be pleased to state ?

a) Is there any minimum prescribed age of marriage in Assam, violation of which is a cognizable offence ?

b) If so, what are the minimum ages for entering into marriage for boys and girls and what is the quantum of punishment for violation of the same by the parent and their guardians ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) As per Hindu Marriage Act, 1995 as amended, the bridegroom has to complete 21 years and the bride 18 years at the time of marriage, the violation of which leads to simple imprisonment. This is followed in Assam. The violation is a non-cognizable offence.

b) Under Sec. 5(II) of Hindu Marriage Act, 1995 Act XXV of 1995 amended by Act No. 73 of 1956, 58 of 1960, 44 of 1964, 69 of 1979 and 2 of 1978) the bridegroom has to complete the age of twenty one years and the bride the age of eighteen years at the time of marriage. Violation of the condition of Sec. 5 (III) of the said Act

is punishable with simple imprisonment which may extend to fifteen days or with fine which may extend to one thousand rupees or with both under section 18 (a) of the said act.

বিষয় ঃ মন্ত্রী বিধায়কৰ নিৰাপত্তা ৰক্ষীৰ সংখ্যা ।

শ্রীধ্রুব কুমাৰ সেনে সুধিছে ঃ

৫৩৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ৰাজ্যখনৰ মন্ত্রী বিধায়ক সকলৰ নিৰাপত্তাত থকা (দেহৰক্ষী) আৰক্ষী বাহিনী লোকৰ সংখ্যা কিমান ?

খ) চৰকাৰী বিষয়া সকলৰ লগত কিমান সংখ্যক নিৰাপত্তা দেহৰক্ষী বাহিনী আছে অনুগ্রহ কৰি জনাবনে ?

গ) উক্ত দেহৰক্ষী আৰক্ষী সকলৰ ভ্রমণ বানচ সৰ্মুঠ কিমান টকা বাকী আছে (১৯৯৫ চনৰ ফেব্রুৱাৰী মাহলৈকে) অনুগ্রহ কৰি জনাবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) মন্ত্রীৰ দেহৰক্ষী (PSO) সংখ্যা ঃ ৯৪

বিধায়কৰ দেহৰক্ষী (PSO) সংখ্যা ঃ ৭১

খ) চৰকাৰী বিষয়াৰ লগত থকা দেহৰক্ষীৰ সংখ্যা ১০২

গ) ১,৮,৭২,১২৪·০০ টকা ।

বিষয় ঃ আৰক্ষী বিষয়াৰ বিৰুদ্ধে প্রশ্ন উৎথাপন ।

শ্রীমহিবুল হকে, সুধিছে ঃ

৫৩৯। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) এই চৰকাৰৰ দিনত অসম বিধান সভাৰ মজিয়াত ধুবুৰী আৰক্ষী বিষয়া শ্রীশ্যাম কুমাৰ চৌহানতকৈ বেছি অসমৰ অইন কোনো আৰক্ষী বিষয়াৰ বিৰুদ্ধে বিধান সভাৰ প্রশ্ন উৎথাপন, বিভিন্ন বিতৰ্কত সমালোচনা আদি হৈছিল নে ?

খ) যদি হৈছে, তেন্তে সেইজন বিষয়া কোন জনাবনে ?

গ) অসম বিধান সভাৰ পবিত্র মজিয়াত আটাইতকৈ বেছি অভিযোগ উৎথাপন হোৱা পুলিচ বিষয়াক পুৰস্কৃত বা শাস্তি বিহাৰ বিধান পুলিচ মেনুৱেলত আছেনে ?

ঘ) অসম বিধান সভাৰ মজিয়াত কোনো আৰক্ষী বিষয়াই 'বিতর্কিত ব্যক্তি' হিচাপে পৰিগণিত হলে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰে, জনাবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) সদনত সময়ে সময়ে এনেকুৱা অভিযোগৰ অৱতাৰণা কৰা দেখা গৈছে ।

খ) অধিক বা কম বিতর্ক এটা আপেক্ষিক কথা ।

গ) কোনো আৰক্ষী বিষয়াৰ বিৰুদ্ধে অভিযোগ পালে আৰু সেই অভিযোগ প্রমাণিত হলে বিষয়াজনক আইনগত ভাৱে শাস্তি দিয়াৰ ব্যৱস্থা আছে ।

ঘ) আৰক্ষী বিষয়া বিতর্কিত হলেও অভিযুক্ত বুলি প্রমাণিত হলেহে শাস্তিৰ ব্যৱস্থা কৰা হয় ।

বিষয় : নাৰী ধর্ষণৰ সংখ্যা ।

শ্রীমুনীন মহন্তই সুধিছে :

৫৪০ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ১৯৯৪-৯৫ চনত ৰাজ্যখনৰ নাৰী ধর্ষণৰ সংখ্যা কিমান ?

খ) ১৯৯৪-৯৫ চনৰ ভিতৰত যৌতুক সম্পর্কীয় নাৰী হত্যা কিমান হৈছে ?

গ) নাৰী ধর্ষণকাৰী আৰু হত্যাকাৰী সকলৰ সকলোকে গ্রেপ্তাৰ কৰা হৈছেনে ?

ঘ) নাৰী ধর্ষণকাৰী আৰু হত্যাকাৰী সকলৰ বিচাৰৰ বাবে বিশেষ ব্যৱস্থা গ্রহণ কৰি দৃষ্টান্তমূলক শাস্তি দিয়াৰ বাবে ব্যৱস্থা গ্রহণ কৰা হবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) মুঠ ৫২৫ টা ।

খ) ৩২ গৰাকী মহিলা যৌতুক সম্পর্কীয় ঘটনাত মৃত্যু হৈছে ।

গ) নাৰী ধর্ষণৰ ঘটনা সন্দর্ভত ৪২৭ জন আৰু যৌতুক সম্পর্কীয় মৃত্যু সন্দর্ভত ৫০ জন ব্যক্তিক গ্রেপ্তাৰ কৰা হৈছে ।

ঘ) আইন তথা আদালতৰ ৰায় মতেহে শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰা হয় ।

বিষয় : ষ্টেডিয়াম নির্ম্মাণ।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৫৪১। মাননীয় ক্রীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) গুৱাহাটী মহানগৰীত এখন বিজ্ঞান সম্মত ও আটকধুনীয়া ষ্টেডিয়াম নির্মাণ কৰাৰ কথা চৰকাৰে চিন্তা কৰিবনে ?

খ) গুৱাহাটী মহানগৰীৰ বৰ্ষাপাৰৰ চৰৱাৰী মাটিত উক্ত ষ্টেডিয়াম নির্মাণ কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত লবনে ?

গ) গুৱাহাটীৰ জনাসাধাৰণে উক্ত ষ্টেডিয়াম খন লোকপ্রিয় গোপীনাথ ৰবদলৈৰ নামত নামাকৰণ কৰি ষ্টেডিয়ামখন নির্ম্মাণৰ বাবে প্রস্তুতি চলোৱা কার্য্যত আপুনি সহায়ৰ হাত আগবঢ়াবনে ?

ঘ) উক্ত ষ্টেডিয়ামৰ নির্মাণৰ বাবে আপুনি কি ধৰণৰ সহায়ৰ হাত আগবঢ়াব জনাবনে ?

শ্রীইন্দ্র গগৈ (ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক চিন্তা কৰা হৈছে।

খ) সদ্যঃতে লব পৰা নাযাব।

গ) পৰাখিনি কৰা হব।

ঘ) পৰিস্থিতি সাপেক্ষেহে সহায়ৰ কথা বিবেচনা কৰি চাব পৰা যাব।

বিষয় : মটৰ গাড়ী দুর্ঘটনা।

শ্রীনজমুল হকে সুধিছে ঃ

৫৪২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ১৯৯৪ চনৰ ১ লা জানুৱাৰীৰ পৰা ১৯৯৫ চনৰ ৩১ জানুৱাৰীলৈকে অসমত মুঠ কিমানটা মটৰ গাড়ী দুর্ঘটনাত পতিত হৈছে আৰু কিমান জন মানুহৰ মৃত্যু হৈছে জনাবনে ?

খ মটৰ দুর্ঘটনাত মৃত্যু হোৱা কিমানজন ব্যক্তিক ক্ষতিপূৰণ দিয়া হৈছে ?

গ) অসমৰ ভিতৰত আটাইতকৈ ডাঙৰ মটৰ দুর্ঘটনা কোনটো আৰু তাত

কিমান মানুহৰ মৃত্যু হৈছিল সদনক জনাবনে ?

ঘ) মটৰ দুৰ্ঘটনা ৰোধ কৰিবলৈ চৰকাৰে কি কি পন্থা হাতত লৈছে জনাবনে ?

ঙ) কি কি কাৰণত মটৰ দুৰ্ঘটনাৰ সংখ্যা বাঢ়ি আছে তাক নিৰ্ণয় কৰিবলৈ চৰকাৰৰ হাতত কিবা তথ্য আছে নে ?

চ) বৰ্ত্তমানলৈকে মুঠ কিমানখন চৰকাৰী বাছ দুৰ্ঘটনাত পতিত হৈছে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) দুৰ্ঘটনাৰ সংখ্যা — ১৯৩২ টা

মৃতকৰ সংখ্যা — ৯০৫ জন ।

খ) তথ্য আহৰণ কৰি থকা হৈছে ।

গ) শিৱসাগৰৰ ৰজাবাৰীত হোৱা আটাইতকৈ ডাঙৰ মটৰ দুৰ্ঘটনাটোত ৬১ জন ব্যক্তিৰ মৃত্যু হৈছিল ।

ঘ) যান-বাহন সুৰক্ষা সপ্তাহ প্ৰতি বছৰে পালন কৰাৰ উপৰিও যান-বাহনৰ চালক তথা পৰিচালকসকলক যথাযোগ্যভাৱে প্ৰশিক্ষণ দিবলৈ পৰিবহন বিভাগে Driver's and Conductor's Training School এখন প্ৰতিষ্ঠা কৰিছে । যাত্ৰীবাহী যান-বাহনৰ অনুজ্ঞা-পত্ৰত অৱশ্যে পালনীয় এনে কিছুমান চৰ্ত সন্নিবিষ্ট কৰা হৈছে, যিবোৰ পালন নকৰিলে আইন-গত শাস্তিৰ ব্যৱস্থা ৰখা হৈছে । প্ৰবৰ্তক পৰিদৰ্শকৰ দ্বাৰা যাত্ৰীবাহী বাছৰ তালাচীৰ ব্যৱস্থা কৰা হৈছে । আৰক্ষী বিভাগে যান-বাহন নিয়ন্ত্ৰণৰ বাবে সম্যক ব্যৱস্থা লৈছে ।

ঙ) চালকৰ ত্ৰুটী, যান্ত্ৰিক বিজুতি, বেয়া ৰাস্তা আৰু প্ৰতিকুল বতৰ তথা আৰোহীৰ ত্ৰুটী অন্যতম ।

চ) ২১ খন ।

বিষয় : মিনি ষ্টেডিয়াম ।

শ্ৰীমতী বেণুপ্ৰভা ৰাজখোৱাই সুধিছে :

৫৪ : মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চৰকাৰে ঘোষণা কৰা মতে সকলো জিলাৰ সকলো সমষ্টিতে একোখনকৈ মিনি ষ্টেডিয়াম দিয়াৰ কামটো সম্পূৰ্ণ হ'ল নেকি ?

খ) যোৰহাট জিলাৰ টীয়ক সমষ্টিত এখন মিনি ষ্টেডিয়াম দিয়াৰ কথাটো যোৱা বিধান সভাত ঘোষণা কৰা নাছিল নেকি ?

গ) যদি কৰিছিল তেতিয়াহলে ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰি যুৱক যুৱতী সকলক উৎসাহিত কৰিবনে ?

শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) চৰকাৰে সকলো জিলাৰ সকলো সমষ্টিতে মিনি ষ্টেডিয়াম দিয়াৰ কথা ঘোষণা কৰা নাই। সকলোবোৰ উন্নয়ণ খণ্ডকে সামৰি পৰ্য্যায়ক্ৰমে একোটিকৈ মিনি ষ্টেডিয়াম নিৰ্ম্মান কৰাৰহে সিদ্ধান্ত লৈছিল। এতিয়ালৈকে কাম সম্পূৰ্ণ হোৱা নাই।

খ) তেনে কোনো ঘোষণা কৰা হোৱা নাছিল। কিন্তু টীয়কত এখন মিনি ষ্টেডিয়াম সজা পূৰ্বৰে সিদ্ধান্ত আছে।

গ প্ৰয়োজনীয় মাটিৰ আৰণ্টন পালে পুঁজি সাপেক্ষে আগবাঢ়িব পৰা যাব।

বিষয় ঃ দুৰ্নীতি নিবাৰণৰ তদন্ত।

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

৫৪৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) প্ৰশাসনৰ পৰা দুৰ্নীতি নিবাৰণ বিভাগে ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ১ মাৰ্চলৈকে বিভিন্ন বিভাগত কিমানটা তদন্ত কৰিছে ?

খ এই তদন্ত কিমানটা সমাপ্ত কৰা হৈছে আৰু কিমানটা চলাই থকা হৈছে ?

গ সমাপ্ত কৰা তদন্ত মৰ্মে কোন বিভাগত কিমানজন বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে শাস্তি মূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) নিৰীক্ষণ ও দুৰ্নীতি নিবাৰণ বিভাগে ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫

চনৰ ১ মাৰ্চলৈকে বিভিন্ন বিভাগৰ বিষয়াৰ বিৰুদ্ধে উঠা ১৪৫ টা গোচৰৰ তদন্ত হাতত লৈছিল।

খ) ১-৩-৯৫ ইং তাৰিখলৈকে ৭৮ টা তদন্ত সমাপ্ত কৰা হৈছে আৰু ৬৭ টা গোচৰৰ তদন্ত চলি আছে।

গ) সমাপ্ত হোৱা সচাঁ প্ৰমানিত ৪৩ টা তদন্ত প্ৰতিবেদন বিভাগীয় কাৰ্য্য ব্যৱস্থাৰ বাবে সংশ্লিষ্ট বিভাগ সমূহলৈ পঠোৱা হৈছে। সংশ্লিষ্ট বিভাগ সমূহত বিভাগীয় পৰীক্ষা নিৰীক্ষা ও বিভাগীয় তদন্তৰ কাম সমাপ্ত হলেই দোষী প্ৰমানিত হোৱা বিষয়া কৰ্ম্মচাৰীৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা লোৱা হব।

(Unstarred Question No. 545 was postponed.)

Re : Grants to the Club.

Shri Mission Ranjan Das asked :

545. Will the Chief Minister be pleased to State :

a) As per notification which was published in the local daily namely "আজিৰ বাতৰি" dt. 11/3/95, different clubs in different districts of Assam, were granted financial grant-in-aid of Rs. 5000/- and it is also seen that 60- (sixty) Clubs in Nalbari Districts, 112 (one hundred and twelve) Clubs in Kamrup Districts, 36 (thirty six) Clubs in Sibsagar Districts will receive grants-in-aid whereas only 10 (ten) Clubs in Karimganj will receive grants -in-aid is not it a fact ?

b) If it is fact, whether more active clubs in Karimganj District will be given grant-in-aid to remove discrimination ?

c) Whether a list of names of some active Clubs from Karimganj Districts will be received from the questioner for getting grants-in-aid ?

Shri Indra Gogoi (Minister State, Sports & Youth Welfare) replied.

a) Yes. it is a fact that Schemes for grants-in-aid to different Clubs in different District of Assam were drawn up and published by the State Level Advisory Committee for Student and Youth Welfare. The financial grants-in-aid to the tune of Rs. 5,000/- will be granted to 630 Clubs on merit. It is also a fact that 60 Clubs of Nalbari Districts, 112 Clubs of Kamrup Districts, 36 Clubs of Sibsagar Districts and 10 Clubs of Karimganj Districts, have been selected for grants-in-aid. From Karimganj, Districts, only 10 Clubs have applied in pursuance to the advertisement published in all local leading dailies on 12 th Nov/94 and all the Clubs were selected for grants-in-aid.

b) More active Clubs from Karimganj District will be considered in the next financial year on merit.

c) Consideration for further grants-in-aid to active Clubs from Karimganj District will come up only after the Clubs concerned apply as per requirement of the scheme in the next financial year.

বিষয় ঃ সৈনিক কার্য্যালয় স্থাপন ।

শ্রীপ্রনব কুমাব নাথ জিজ্ঞাসা করছেন ঃ

৫৪৭ । মাননীয় মুখ্যমন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) রাজ্য সরকার প্রাক্তন সৈনিকদের সুবিধার্থে বর্ত্তমান অর্থ বছরে করিমগঞ্জে একটি সৈনিক বোর্ড কার্য্যালয় স্থাপনের ব্যবস্থা করবেন কি ?

খ) যদি না কেন ? যদি হয় কখন ?

শ্রীহিতেশ্বব শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তব দিছে ঃ

ক) সরকার সচেষ্ট ।

খ) সংশ্লিষ্ট বিভাগের অনুমোদন পাওয়ার পর ।

Re : Hailakandi Town Hall.

Shri Sahidul Alam Choudhury asked :

548. Will the Minister of Municipal Administration be pleased to State.

a) When the Hailakandi Town Hall was established and who donated land for the same ?

b) What is the present name of the said town Hall ?

c) Whether it is a fact that the said town Hall has been renamed after the mother of Sri Gautam Roy, Hon'ble Minister of State for Municipal Administration Department and he opened the same ?

d) Is there any other proposal to rename the Public Institutions and public roads in Hailakandi comemorating the names of all the dead and alive members of the family of the Hon'ble Minister of State for Municipal Administration, at the cost of public exchaquer ?

Sri Devananda Konwar, (Minister Municipal Administration) replied :

a) Hailakandi Town Hall was established in 1907. As per existing records the land in question is Govt. khas land. The matter of donation could not be traced out from the present records.

b) Present name of Town Hall is Hailakandi Town Hall ?

c) It is not a fact that the name of the Town Hall has been renamed after the mother of Sri Gautam Roy. Hon'ble Minister of State for Municipal Administration Department, only the St ge of the Town Hall has been named as Sefalika Monch after the mother of the Hon'ble Minister of State for Municipal Administration Department. The Honourable Minister of State had inaugurated the same.

d) There is no other proposal to rename the public institutions and public roads in Hailakandi Town.

বিষয় ঃ আৰক্ষী চকী কৰাৰ আবেদন ।

শ্রীধ্রুব কুমাৰ সেনে সুধিছে ঃ

৫৪৯ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) গৌৰীপুৰ সমষ্টিৰ অধীনত "আশাৰীকান্দী" নামৰ যি অঞ্চল আছে সেই অঞ্চলৰ ৰাইজৰ পৰা আৰক্ষী চকী কৰাৰ আবেদন চৰকাৰে পাইছে নেকি ?

খ) যদি পাইছে, তেনেহলে চৰকাৰে সোনকালে ব্যৱস্থা লব নে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক] ধুবুৰী জিলাৰ আৰক্ষী অধীক্ষকে এখন আবেদন পাইছে ।

খ) এই সন্দর্ভত উপাযুক্তৰ পৰা প্রস্তাৱ পোৱাৰ পিছত ব্যৱস্থা লোৱা হব ।

বিষয় ঃ বিষ্ণুপ্রিয়া মণিপুৰী ভাষাৰ স্বীকৃতি প্ৰদান ।

শ্ৰীৰামপ্যাৰে ৰবিদাস জিজ্ঞাসা কৰছেন ঃ

৫৫০ । মাননীয় মুখ্যমন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ?

ক) সৰকাৰ অবগত আছেন কি যে আসামে বিষ্ণুপ্রিয়া মণিপুৰী সম্প্রদায় দীৰ্ঘদিন যাবৎ তাঁদের মাতৃ ভাষাৰ স্বীকৃতিৰ জন্য শান্তিপূৰ্ণ ও গণতান্ত্রিক আন্দোলন কৰে আসছেন ?

যদি হ্যাঁ, সৰকাৰ এই ব্যাপাৰে কি কোন সিদ্ধান্ত নিয়েছেন ? যদি না, কেন ?

খ) বিষ্ণুপ্রিয়া মণিপুৰীদের গণতান্ত্রিক ও ন্যায় সঙ্গত দাবী গুলির কথা বিবেচনা কৰে নুন্যতম পক্ষে প্রাথমিক ও মাধ্যমিক বিদ্যালয় স্তৰে যাহাতে তাহাৰ তাঁদের মাতৃ ভাষাৰ শিক্ষা গ্রহণ কৰতে পাৰে এ ব্যাপাৰে সৰকাৰ কোন কার্য্যকৰী পদক্ষেপ নেবেন কি ?

যদি নেন, কখন ?

Sri Hiteswar Saikia (Chief Minister) replied :

a) Yes. The Government is yet to take a decision.

b) The matter is under consideration of the Government.

বিষয় ঃ দৈনিক বজাৰ উন্নয়ন ।

শ্ৰীমুনীন মহন্তই সুধিছে ঃ

৫৫১ । মাননীয় পৌৰ প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মৰিগাওঁ নগৰ সমিতিয়ে দৈনিক বজাৰ উন্নয়নৰ বাবে কি কি ব্যৱস্থা গ্রহন কৰিছে জনাবনে ?

খ) মৰিগাওঁ নগৰ সমিতিৰ ১৯৯১ চনৰ কার্য্যবাহী বিষয়া আৰু বজাৰৰ ক্ষুদ্র ব্যৱসায়ী সকলৰ বজাৰ উন্নয়ন সন্দর্ভত এখন চুক্তি হৈছিল, উক্ত চুক্তি মতে উন্নয়নৰ ব্যৱস্থা হাতত লৈছেনে ?

গ) নেহেৰু ৰোজগাৰ যোজনাৰ অধীনত ১৯৯২-৯৩, ৯৩-৯৪, ৯৪-৯৫ চনত কিমান টকা মৰিগাওঁ নগৰ সমিতিয়ে পাইছিল, আৰু উক্ত টকা কেনেদৰে

কোন শিতানত খৰছ কৰিলে জনাবনে? (সবিশেষ শিতান মতে দেখুৱাই উপভুক্তাৰ লিষ্ট সহ সদনৰ মেজত দিব)

ঘ) মৰিগাওঁ পুখুৰীপাৰৰ ক্ষুদ্ৰ ব্যৱসায়ী সকলক উচ্ছেদ কৰি তাত Super Market Building বনাবৰ বাবে ব্যৱস্থা লোৱাটো সত্য নেকি?

ঙ) যদি সত্য হয়, এই ব্যৱস্থা বন্ধ কৰি চহৰৰ প্ৰয়োজনীয়াতালৈ লক্ষ্য কৰি অন্য স্থানতো দৈনিক বজাৰ নিৰ্মানৰ ব্যৱস্থা লব নেকি?

শ্ৰীদেবানন্দ কোঁৰৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) মৰিগাওঁ নগৰ সমিতিয়ে দৈনিক বজাৰ উন্নয়নৰ বাবে ১১ (এঘাৰ) লাখ টকাৰ এখন বজাৰ নিৰ্মান আঁচনি যুগুত কৰি পৌৰ প্ৰশাসন বিভাগৰ সঞ্চালকলৈ প্ৰেৰণ কৰিছে। উক্ত আঁচনি ১৯৯৫-৯৬ চনৰ বাৰ্ষিক পৰিকল্পনাত মঞ্জুৰীৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

খ) ১৯৯১ চনত মৰিগাওঁ নগৰ সমিতিৰ কাৰ্য্যবাহী বিষয়া আৰু ক্ষুদ্ৰ ব্যৱসায়ী সকলৰ মাজত বজাৰ উন্নয়নৰ বাবে কোনো চুক্তি হোৱা নাছিল।

গ) মৰিগাওঁ নগৰ সমিতিয়ে নেহেৰু ৰোজগাৰ যোজনাৰ অধীনত ১৯৯২-৯৩, ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত সৰ্মুঠ ৩,৫৫,৪৮৮ টকা পাইছিল। উক্ত টকাৰ শিতান আছিল ক্ষুদ্ৰ উদ্যম যোজনা, নগৰীয়া পাৰিশ্ৰমিক যোজনা, প্ৰশাসনীয় আৰু পৰিচালনা খৰচ আৰু নগৰীয়া স্থানীয় নিকায়লৈ আৰ্থিক সাহায্য।

১৯৯২-৯৩ চনত সৰ্মুঠ ১, ৪৫,৭১৯ টকা তলত উল্লেখ কৰা শিতান সমূহত খৰচ কৰা হয়।

১।	ক্ষুদ্ৰ উদ্যম যোজনা	=	৩৬,৯৭২'০০ টকা
২।	নগৰীয়া পাৰিশ্ৰমিক যোজনা	=	৯২, ৪১৪'০০ "
৩।	প্ৰশাসনীয় আৰু পৰিচালনা খৰচ	=	১২,৩৮৩'০০ "
৪।	নগৰীয়া স্থানীয় নিকায়লৈ আৰ্থিক সাহায্য	=	৩,৯৫০'০০ "
			১,৪৫,৭১৯০০ টকা

১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত দিয়া টকাৰ হিচাপ এতিয়ালৈ পোৱা হোৱা নাই ।

১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনত বিভিন্ন আচনিৰে লাভবান হোৱা উপভুক্তা সকলৰ তালিকা 'ক' আৰু অনুসূচী 'খ' ত দেখুওৱা হ'ল । (See the Annexure VIII)

ঘ) দৈনিক বজাৰৰ কাষৰ পুখুৰীপাৰলৈকে বৰ্ত্তমানৰ Super Market Building ৰ সম্প্রসাৰনৰ বাবে প্রস্তাৱ কৰা হৈছে । এই প্রস্তাৱ কার্য্যকৰী কৰনৰ বেলিকা যি সকল ক্ষুদ্র ব্যৱসায়ী উচ্ছেদৰ সন্মুখীন হব সেই সকলক অন্য সন্তোষজনক স্থানত সংস্থাপিত কৰিব পৰা যাব ।

ঙ) চহৰখনৰ প্রয়োজনীয়তালৈ লক্ষ্য কৰিয়েই উক্ত স্থানত বজাৰ নির্মান আচনিৰ প্রস্তাৱ লোৱা হৈছে ।

বিষয় : বাছৰ দুর্ঘটনা ।

শ্রীনজমুল হকে সুধিছে :

৫৫২ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ১৯৯৪ চনৰ ১ জানুৱাৰীৰ পৰা ৩১ ডিচেম্বৰলৈকে গোৱালপাৰা জিলাত কিমানটা বাছ দুর্ঘটনা হৈছিল ?

খ) উক্ত সময়চোৱাত বাছ দুর্ঘটনাত কিমান জনৰ মৃত্যু হৈছিল আৰু কিমানজন আহত হৈছিল ?

গ) জিলাখনত বাছ দুর্ঘটনাবোৰ নিয়ন্ত্রণৰ বাবে কোনো ব্যৱস্থা লোৱা হৈছে নে ? যদি হোৱা নাই তেন্তে কিমান দিনৰ ভিতৰত ব্যৱস্থা লোৱা হব জনাবনে ?

ঘ) অসমত বৃহত্তম বাছ দুর্ঘটনা কোন ঠাইত হৈছিল ? উক্ত বৃহত্তম দুর্ঘটনাত কিমান জন দুর্ভগীয়াৰ মৃত্যু হৈছিল ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) ২০ টা ।

খ) মৃতকৰ সংখ্যা ৯ জন আৰু আহত ব্যক্তিৰ সংখ্যা ৬৫ জন ।

গ) হয়, ব্যৱস্থা লোৱা হৈছে ।

ঘ) ১১ । ১১ । ৯৪ তাৰিখে শিৱসাগৰৰ ৰজাবাৰীত বৃহত্তম বাহ দুর্ঘটনাটো ঘটিছিল । ৬১ জনৰ মৃত্যু হৈছিল ।

Re : Police Firing

Shri Joy Chandra Nagbanshi asked :

553. Will the Chief Minister be pleased to state :

a) Whether the Government is aware of the fact that Police Firing took place in Ainakhal T. E. Samuguri T. E, and Deha T. E. of Assam in the recent past ?

b) Whether any Administrative or Judicial enquiries were instituted to enquire into those incidents ?

c) How many persons were killed in these incidents ?

d) Whether the Government has given any compensation to the deceased member's families ? If so, what are the amount ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes,

b) Magisterial enquiry and Administrative enquiries were instituted respectively in respect of the incidents of firing at Deha and Ainakhal T. E.

c) 6 (Six)

d) At Deha T. E. and Ainakhal T. E. Rs. 5,000/- was paid to the family of persons killed and Rs. 1,000/- to the injured persons.

Re : Silchar Hailakandi Algapur Police Station.

Shri Sahidul Alam Choudhury asked :

554. Will the Chief Minister be pleased to state :

a) Whether any F. I. R. was lodged with Silchar/ Hailakandi / Algapur Police Station alleging assault of one Sri Tamal Basu, a Railway gateman posted at Katakhal Railway bridge by Sri Gautam Roy, Minister of State on 2/1/1995 ?

b) Whether any injury or marks of violence found on the person of Sri Basu as per medical report ?

c) If so, what action has been taken against the accused Minister ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes.

b) No.

c) As the case is registered, law will take its own course of action.

বিষয় ঃ কেন্দ্রীয় মন্ত্রীৰ ওচৰত আৰ্জিপেশ ।

শ্রীমুনীন মহন্তই সুধিছে :

৫৫৫ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ৰাজ্যখনৰ ৰাবে অধিক অৰ্দ্ধসামৰিক বাহিনী বিচাৰি কেন্দ্রীয় মন্ত্রীৰ ওচৰত আৰ্জিপেশ কৰাতো সত্য নেকি ?

খ) বৰ্ত্তমানলৈকে ৰাজ্যখনত থকা সামৰিক, অৰ্দ্ধসামৰিক বাহিনীৰ সংখ্যা কিমান ?

গ) ৰাজ্য চৰকাৰে নিজস্ব বিশেষ কমাণ্ডো বাহিনী গঠন কৰাৰ ৰাবে সিদ্ধান্ত লৈছে নেকি ?

ঘ) যদি লৈছে, কি পৰিস্থিতিৰ বাবে এনে সিদ্ধান্ত লৈছে জনাব নেকি ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) হয় ।

খ) বৰ্ত্তমান অসমত থকা অৰ্দ্ধসামৰিক বাহিনীৰ সংখ্যা ৬৩ টা ।

গ) হয় ।

ঘ) উগ্রপন্থী সংগঠনসমূহৰ সন্ত্রাসবাদী কার্য্যকলাপ প্রতিৰোধৰ ফলপ্রসূ ব্যৱস্থা লোৱাৰ বাবে ।

বিষয় : স্থায়ী ৰাজধানী ।

শ্রীনজমুল হকে সুধিছে :

৫৫৬। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) অসমৰ স্থায়ী ৰাজধানী কোন ঠাইত নির্ম্মান কৰা হব মন্ত্রীমহোদয়ে জনাবনে ?

খ) স্থায়ী ৰাজধানীখন পৰিকল্পিত নগৰ হিচাবে গঢ়ি তোলা হবনে ?

গ) স্থায়ী ৰাজধানী নির্ম্মান কৰাৰ বাবে কেন্দ্রীয় চৰকাৰে মুঠ কিমান টকা মঞ্জুৰী দিছে সদনক জনাবনে ?

ঘ) স্থায়ী ৰাজধানী নির্ম্মান কৰোতে মুঠ কিমান টকা খৰছ হব ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) দিশপুৰত ।

খ) হয় ।

গ) কেন্দ্রীয় মঞ্জুৰী পোৱা নাই । ৰাজ্যিক বাজেটত ১৯৯৪-৯৫ চনত ৫ (পাচ) কোটি টকা আৰু ১৯৯৫-৯৬ চনত ১৫ (পোন্ধৰ) কোটি টকা ধার্য্য কৰা হৈছে ।

ঘ) অনুমানিক ৫০০ (পাচশ) কোটি টকা ।

Mr. Speaker : Question Hour is over. I have given my ruling.

I have received as many as 13 Zero Hour Notices for 3.4.95 in the name of the following Members :

1. Shri Sahidul Alam Choudhury,
2. Shri Hitendra Nath Goswami,
   Shri Nagen Sarma
3. Shri Badan Barua,
4. Shri Binod Gowala
5. Shri Nizamuddin Khan
6. Shri Hiteswar Deka
7. Shri Mission Ranjan Das
8. Shri Zoii Nath Sarma
9. Shri Abdul Jalil Ragibi.
10. Smti. Renupama Rajkhowa
11. Shri Ramendra Narayan Kalita.
12. Shri Derhagra Mochahary and
    Shri Paniram Rabha.

As per Rules, I have selected only 3 Zero Hour notices for raising before the House today :

1. I now, call upon the Hon'ble Members Shri Hitendra Nath Goswami and Shri Nagen Sarma to raise their Zero Hour motion which was published in 'Dainik Janambhumi' dated 28.3.95 under the Caption.-

"অসম মেডিকেল কলেজৰ স্বীকৃতি বাতিলৰ আশংকা।"

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই আজি শূন্য কালৰ সময়ত দৈনিক জনমভূমি কাকতত প্রকাশিত 'অসম মেডিকেল কলেজৰ স্বীকৃতি বাতিলৰ আশংকা' এই বাতৰিটোৰ ওপৰত চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো আৰু চৰকাৰৰ পৰা এটা স্পষ্টিকৰণ বিচাৰিছো। অসম চৰকাৰৰ অৱহেলা আৰু বৈষম্যমূলক নীতিৰ বাবে ঐতিহ্যমণ্ডিত অসম মেডিকেল কলেজৰ অৱস্থা দিনক দিনে শোচনীয় হৈ পৰিছে। বৰ্ত্তমান ই এনে এটা অৱস্থালৈ আগবাঢ়িছে যে এইদৰে থাকিলে অতি সোনকালেই মেডিকেল কলেজখনৰ, মেডিকেল কাউন্সিলৰ স্বীকৃতি বাতিল হোৱাৰ আশংকা কৰা গৈছে। মাননীয় অধ্যক্ষ মহোদয়, ১৯৪৭ চনতে প্রতিস্থিত হোৱা অসম মেডিকেল কলেজখনে এদিন এচিয়া মহাদেশৰ সাতখন শ্রেষ্ঠ মেডিকেল কলেজৰে এখন হিচাবে স্বীকৃতি লাভ কৰিছিল। কিন্তু চৰকাৰৰ বৈষম্যমূলক নীতি আৰু চৰম অৱহেলাৰ কাৰণে আজি এই কলেজখনৰ এনে অৱস্থা হৈছেগৈ যে মেডিকেল কাউন্সিলৰ স্বীকৃতি বাতিল কৰাৰ আশংকা কৰা হৈছে। ১৯৪৭ চনতে স্থাপিত হোৱা এই অসম মেডিকেল কলেজখনৰ পূৰ্ব্বৰ গৌৰৱ আৰু নাই। কি কাৰণত এনেকুৱা হবলৈ পালে স্বাস্থ্য বিভাগৰ মাননীয় মন্ত্রী মহোদয়ে স্পষ্ট ভাৱে কব লাগে।

অধ্যক্ষ মহোদয়, দ্বিতীয় কথাটো হৈছে, অসম মেডিকেল কলেজৰ নামত অনুমোদন হোৱা প্রয়োজনীয় যন্ত্র-পাতিও গুৱাহাটী মেডিকেল কলেজত ৰাখি থোৱা, সেইদৰে ঔষধ পাতি ৰাখি থোৱা এক সচৰাচৰ ঘটি থকা ঘটনাৰ দৰে হৈছে। ঐতিহ্যপূর্ণ মেডিকেল কলেজখনৰ উন্নয়ন সম্পর্কীয় বিষয়বোৰ পৰীক্ষা কৰাৰ অর্থে কেন্দ্রীয় স্বাস্থ্য মন্ত্রালয়ে ১৯৮৭ চনৰ ৪ আগষ্টত ৪/১২০২০/২৪/৮৭ এমই (পি) শীর্ষক এক নির্দ্দেশ যোগে এটা

★ Speech not corrected

টাস্ক ফর্চ গঠন কৰি দিছিল। এই টাস্কফর্চে মেডিকেল কলেজ-খনৰ সমস্যাসমূহ অধ্যয়ন কৰি বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল আৰু কেন্দ্ৰীয় চৰকাৰে এইবোৰত অনুমোদন দিছিল। অনুমোদন পোৱা ইতি-মধ্যে ৫ বছৰ পাৰ হ'ল যদিও ইয়াৰ এটাও এতিয়ালৈকে কাৰ্য্যকৰী নহ'ল। ইয়াৰ ভিতৰত আছিল অৰ্থপেডি, চায়ক্ৰটিক, ডেমট'লজী, প্ৰিভে-নটিভ মেডিচিন মাইক'বায়লজি আদিৰ সম্প্ৰসাৰণ। এই টাস্কফর্চে যিখিনি নিৰ্দ্দেশ ৰাজ্য চৰকাৰক দিছিল সেই ক্ষেত্ৰত চৰকাৰে স্পষ্ট ভূমিকা নললে। মেডিকেল কলেজখন এইদৰে চলি থাকিলে অতি সোনকালেই মেডিকেল কাউন্সিলৰ স্বীকৃতি হেৰুৱাব। আৰু ৰাজ্যখনৰ কাৰণে এইটো বৰ অশুভ কথা হব। যোৱা শুক্ৰবাৰে মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে আমাৰ মাননীয় সদস্য শ্ৰীৰামেশ্বৰ ধানোৱাৰ ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কৈছিল যে অসম মেডিকেল কলেজত ৫৬০ টা প্ৰফেচাৰ আৰু সহকাৰী প্ৰফেচাৰৰ পদ খালী আছে। অসম মেডিকেল কলেজত খালী হৈ থকা শিক্ষকৰ পদৰ পৰাই কব পাৰি যে কলেজখনৰ শিক্ষাৰ মান-দণ্ড উন্নত হব নোৱাৰে। ষ'ত মেডিচিনত ১০ জন আৰু বিভাগৰ কাৰণে ৬ জন শিক্ষক লাগে, তাত মাত্ৰ দুজন শিক্ষকেহে কাম কৰি আছে। মেডিকেল কাউন্সিলৰ হিচাপত শিক্ষক দিব পৰা নাই।

According to the Medical Council of India norms college should have 413 teachers but the Government has sanctioned only 194 teachers so far leaving a shortfall of 219 teachers. Even out of the sanctioned posts, 57 posts have remained vacant for several years.

অধ্যক্ষ মহোদয়, এচিয়াৰ ৭ খন শ্ৰেষ্ঠ মেডিকেল কলেজৰ এখন এই অসম মেডিকেল কলেজখনক ক্ৰমাগত ভাৱে অৱহেলা কৰিব ধৰা হৈছে সেই অৱহেলাৰ অৱসান ঘটাব লাগিব। যি সকল ডাক্তৰ বা প্ৰফেচাৰক নিযুক্তি দিয়া হয় তেখেতসকলক যাতে অকল গুৱাহাটীতে নাৰাখি

অসম মেডিকেল কলেজলৈও পঠোৱা হয় তাৰ ব্যৱস্থা কৰিব লাগে। শিৰসাগৰ, গোলাঘাট, ডিব্রুগড়, তিনিচুকীয়া, লক্ষীমপুৰ সেই জিলা কেই-খনৰ মানুহৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি নিম্নতম সুবিধাখিনি পোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু মেডিকেল কাউঞ্চিলৰ স্বীকৃতিও যাতে বাতিল নহয় তাৰ ব্যৱস্থা চৰকাৰে লৰ লাগে। এই কথাটো মই সদনত উত্থাপন কৰিছো।

শ্ৰীনগেন শৰ্ম্মা : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা পোন পতীয়াকৈ উত্তৰ বিচাৰিম, ২১৯ টা এচিচটেণ্ট প্ৰফেচাৰ নিযুক্তি দিবলৈ বাকী আছে, অসমত কুৱালিফাইড মানুহ নাই নেকি, অসম মেডিকেল কলেজৰ স্বীকৃতি বাতিল হব নেকি? এইটো গতানুগতিক হৈছে। শিলচৰ আৰু গুৱাহাটী মেডিকেল কলেজত দেখা গৈছে যি সকল ডাক্তৰ তাত যায় ৭/৮ মাহ থাকে তাঁৰ পিচত গুছি আহে। স্বাস্থ্য মন্ত্ৰী মহোদয়ে বাস্তৱ উত্তৰ দিয়ক যাৰ কাৰণে স্বীকৃতি বাতিল কৰিবলৈ লৈছে। কৌবাল মেচিন ৬ মাহ ধৰি বন্ধ হৈ আছে। ১৯৪৭ চনতে স্থাপিত হোৱা অসম মেডিকেল কলেজে আজিলৈকে পূৰ্ণ ৰূপ লোৱা নাই। আটাইতকৈ পুৰণি কলেজ, ৪৮ বছৰ হল, এতিয়ালৈকে পূৰ্ণ ৰূপ লোৱা নাই। এইটো বৰ দুখৰ কথা, গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে তেখেতে নিজে গৈ প্ৰয়োজনীয় ব্যৱস্থা লয়।

★ ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীগোস্বামী আৰু শ্ৰীশৰ্ম্মা ডাঙৰীয়াই অসম মেডিকেল কলেজৰ স্বীকৃতি বাতিল সম্পৰ্কে যি খিনি কথা কৈছে সেইখিনি মই বৰ মনোযোগেৰে শুনিছো। এই সংক্ৰান্তত মই কব বিচাৰিছো যে পুৰণি মেডিকেল কলেজখনত মইও পঢ়ি আহিছো। সেই খন কলেজৰ স্বীকৃতি বাতিল নহয়, তাৰ কাৰণে আমাৰ চৰকাৰ সম্পূৰ্ণ সজাগ আৰু প্ৰয়োজনীয় ব্যৱস্থা অতি সোনকালে

★ Speech not corrected

লোৱা হব। মাননীয় শ্রীশর্ম্মা ডাঙৰীয়াই কৈছে যে প্রমোচন হলেও যাব নোখোজে, সেইটো হয়, কোনোৱাই গলেও দুই তিনি মাহ পিচত গুছি আহে। এই ক্ষেত্রত এতিয়া আমি যথেষ্ট কাঢ়া হৈছো। অসম মেডিকেল কলেজত এটাচমেণ্ট মাত্র মহিলা এগৰাকী আছে। আগতে বহুত আছিল, এতিয়া সেইটো কমাই অনা হৈছে। বহুতে গুৱাহাটীত থাকিবলৈ বিচাৰে। প্রমোচন দিয়াৰ পিচতো যদি কোনোবাই নেযায় তেতিয়া হলে পিচৰ মানুহ জনক প্রমোচন দিয়া হব আৰু ইতিমধ্যে এই ক্ষেত্রত কার্য্যকৰী ব্যৱস্থা লোৱা হৈছে। আমি কালি পোৱা ৰিপোর্ট মতে প্রফেচাৰ ৮ জন, এছোচিয়েট প্রফেচাৰ ৫ জন, এচিচটেণ্ট প্রফেচাৰ ৬ জন, এই কেইটা আগৰ খালি পোষ্ট আছে। এইবাৰ ৯ টা পোষ্ট চেংচন কৰা হৈছে। এই টকা পাম। ৮+৬ আৰু ৯ এই কেইটা পদ সোনকালে দিয়াৰ ব্যৱস্থা কৰা হব। এনাট'মী, ফিজিওল'জী, পেথ'ল'জি এই বিলাক চাবজেক্ট নন-ক্লিনিকেল। ডাক্তৰ সকলে ভাল নেপায়, যি ধৰণে কুৱালিফাইড হব লাগে সেই ধৰণে পোৱা নেযায়। প্রফেচাৰ, এছোচিয়েট প্রফেচাৰ বা এচিচটেণ্ট প্রফেচাৰৰ কাৰণে তেনেকুৱা মানুহৰ অভাব হৈছে, তাৰোপৰি কিছুমান মানুহ ৰিটায়ার্ড হ'ল। এই কাৰণে আমি সমস্যাৰ সন্মুখীন হৈছো। আমি স্বাস্থ্য বিভাগে এই সম্পর্কে সিদ্ধান্ত কৰিছো যদি কোনোবাক কুৱালিফাইড নোহোৱাকৈ কনটেক্ট বেচিছত কাম কৰিবলৈ সুবিধা দিয়ে তেতিয়া হলে ভাল হব, এইটো আমি চিন্তা কৰিছিলো। ৬০ বছৰৰ পিছতো যদি প্রফেচাৰ দিয়া হয় তেতিয়া সমস্যাটো গুছি যায়। কিন্তু এইটো নহল। স্পেচি-ফিক কেচত আমি এনেকুৱা দিয়াৰ কাৰণে চেষ্টা কৰিম। মাননীয় শ্রীগোস্বামী আৰু শ্রীশর্ম্মা ডাঙৰীয়াই কৈছে যে বস্তু বিলাক ইয়াতে ৰখা হয়, সেইটো নহয়। বর্ত্তমান যিজন ডাইৰেক্টৰ আছে তেখেতে তাতে অধ্যাপনা কৰিছিল, গতিকে অসম মেডিকেল কলেজক ভালকৈ জানে। সেয়ে যিখিনি বস্তু আহিছে তাৰ পৰা বঞ্চিত নকৰে, আমাক দিয়া ৰিপোর্ট মতে তেনেকুৱা কৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও আমি এটা কাম কৰিছোঁ। মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই কৈছে যে টাস্ক ফৰ্চ গঠন কৰি দিয়া হৈছে আৰু সেই টাস্ক ফৰ্চৰ ৰিক'মেন্দেচনৰ মতে—

Some of the recommendations were :

i) Construction of multi-storyed building for accommodating various Departments.

ii) Costruction of new building to house the Department of Medicine and related specialities.

iii) Extension of the Radiology Department building.

iv) Residential accommodation for staff.

v) Orthopedics, Psychiatry, Dermatology, S. P. M. and Microbiology Department should be up-graded with staff and equipments for starting Post Graduate Courses.

vi) Creation of posts as per norms of MCI.

vii) Some specialities to be upgraded to Department with adequate staff and equipment.

আৰু বহুত কিবা কিবি আছে। এই ক্ষেত্ৰত আমি কব বিচাৰিছোঁ যে ১৯৮৬ চনৰ পৰা এই ৰিক'মেন্দেচনৰ মতে আমাৰ নতুনকৈ প'ষ্ট ক্ৰিয়েট হ'ল ২৭ টা। এই বাৰেই ৯ টা হ'ল। সে হিচাবে বহুত আছে। আমি যাতে বঢ়াব পাৰো তাৰ কাৰণে চেষ্টা কৰি আছোঁ। আৰু ১৯৯৪-৯৫ চনত অধ্যক্ষ ডাঙৰীয়া Asstt Prof. of Psychiatry এচ'চিয়েট প্ৰফেচাৰ ৯ টা। মাননীয় শৰ্ম্মা ডাঙৰীয়াই কৈছে, অভাৰ ফল' হৈছে বুলি, হয়তো হৈ আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এপ্ৰিলৰ মাহত বা মে' মাহৰ ফাষ্ট পাৰ্টত আমি নতুনকৈ কৰিব পাৰোঁ। বাকী মেডিচিনৰ কাৰণে ঘৰ-দুৱাৰ বান্ধি আছে। আৰু বাকী এপাৰেটাচ্ কিনিবৰ

কাৰণে এটা কমিটি পাতি দিয়া হৈছে। তাৰোপৰি আমি ৫১ কোটি টকাৰ এটা প্লেন লৈছো।

★ ডঃ জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্য মন্ত্রী ডাঙ-ৰীয়াই যে ৫১ কোটি টকাৰ প্লেন লোৱাৰ কথা কৈছে, সেইটো বাজেটত ধৰা হৈছে নে ? মই জনাত বাজেটত এই টকাটো দেখা নাই। এ, এম, চি, Modernisation of AMC budget.

★ ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, প্লেনত যেতিয়া ধৰা হয়, সেইটো কাটি-কোটি কৰা হয়। সেই টকা বাজেটৰ ওপৰি ধৰা বেলেগ টকা।

★ ডঃ জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই এই কথাটো স্পেচিফিকেলী জানিব বিচাৰোঁ যে বাজেটত এই ৫১ কোটি টকাটো ধৰা হৈছে নে নাই ? নে এনেয়ে আশা দিয়া হৈছে ? ইয়েচ অৰ নো, স্পষ্ট উত্তৰ লাগে। নহলে বাতৰি কাকতত ওলাব যে মন্ত্রী ভূমিধৰ বৰ্ম্মনে ইমান টকা দিছে বৰ ভাল কাম কৰিছে আৰু ডিব্রুগড়ৰ মানুহেও ভাবিব স্বাস্থ্য মন্ত্রীয়ে বৰ ভাল কাম কৰিছে। কিন্তু এই টকাটো ক'ৰ টকা ? মন্ত্রী মহোদয়ে জনাওক।

★ ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এই টকাটো চেণ্ট্রেল এচিচ্টেন্স হিচাবে আমি পাম আৰু এইটো নিশ্চিত ভাবে আমি আশা কৰিব পাৰো।

★ শ্রীলক্ষী প্রসাদ বৰগোহাঁই : মাননীয় অধ্যক্ষ মহোদয়, বাজেটত পাছ কৰা টকাৰেই কাম কৰিবলৈ নাটনি হয়, আকৌ প্লেনৰ টকাৰে যে মেডিকেল কলেজৰ কাম হৈ উঠিব আমি ভাবিব নোৱাৰোঁ।

Mr. Speaker : Reply complete.

★ শ্রীলক্ষী প্রসাদ বৰগোহাঁই : মাননীয় অধ্যক্ষ মহোদয়, মই স্বাস্থ্য মন্ত্রী

★ Speech not corrected

ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছোঁ যে তেখেত কেইবাৰ উজনি অসমলৈ মানে ডিব্রুগড় মেডিকেল কলেজলৈ গৈছে ?

★ ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মই কেইবা বাৰো গৈছো।

★ শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই বহুতো কথাই কৈছে আৰু মাননীয় সদস্য সকলে নানা ভাবে মেডিকেল কলেজৰ সম্পৰ্কে আলোচনা কৰিছে। জন-স্বাস্থ্যৰ শিতানত ওৱৰ্ল্ড, হে'লথ, অৰগেনাই-জেচনে যিমানবোৰ টকা দিছে আৰু সেইবোৰ ক'ত কেনেকৈ খৰছ কৰিছে, তাৰ এটা বিবৃতি দিব বুলি মন্ত্ৰী ডাঙৰীয়াই কৈছিল। আৰু এটা কথা মাননীয় অধ্যক্ষৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, যে এ. এম, চি, ৰ বিভিন্ন দিশ সম্পৰ্কে বহুতো আলোচনা হৈছে। নিয়োগ সম্পৰ্কে মেডিকেল কলেজৰ যিটো নতুন থিয়ৰিয়াম হৈছে, আদি বিভিন্ন দিশ সম্পৰ্কে যিমানবোৰ প্ৰস্তাৱ দিয়া হৈছে, তাৰ ওপৰত বিষদ ভাবে আলোচনা কৰি এটা বিবৃতি স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়ই দাঙি ধৰিবনে ?

★ ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, 'হু'ৰ পৰা কোনো টকা এতিয়ালৈকে পোৱা নাই বুলি মেডিকেল কলেজৰ প্ৰিন্সিপালে লিখিত ভাবে জনাইছে। বাকী যিনি আমি বাজেটৰ টকাৰে কাম হাতত লৈছোঁ।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গগৈ ডাঙৰীয়াই কোৱাৰ দৰে মন্ত্ৰী মহোদয়ে এটা বিবৃতি দিয়াটো ভাল বুলি ভাবোঁ। কাৰণ, ডিব্রুগড় মেডিকেল কলেজত ভাল এজন ডাক্তৰ ওলালেই তেওঁক গুৱাহাটীলৈ লৈ অনাটো এটা নিয়মত পৰিণত হৈছে। কিন্তু ডিব্রুগড় মেডিকেল কলেজক নেগলেক্ট কৰা যে হৈছে, সেইটো মিছা নহয়। যদি এনেকুৱা হৈ থাকে, পিছত গোটেই অসমতে যে এটা হুলস্থুল সৃষ্টি হ'ব আৰু চিকিৎসাৰ ক্ষেত্ৰতো খেলি-মেলি হ'ব। গতিকে মাননীয়

★ Speech not corrected

স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এটা স্পষ্ট বিবৃতি দিব লাগে।

★ ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই, চিকিৎসাৰ ক্ষেত্ৰত যাতে খেলি-মেলি নহয়, তাৰ বাবে আমি নতুনকৈ এচ'-চিয়েটেত প্ৰফেচাৰ আনিছোঁ। তাৰ দ্বাৰা আমি মিনিমাম নিদস্ খিনি পূৰণ কৰিব পাৰিম।

★ শ্ৰীলক্ষী প্ৰসাদ বৰগোহাঁই : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ডিব্ৰুগড় মেডিকেল কলেজলৈ তেখেতে বহুবাৰ গৈছে। কিন্তু অধ্যক্ষ মহোদয়, মই আজি তিনি দিনৰ আগতে মেডিকেল কলেজলৈ গৈছিলোঁ, ব্যক্তিগত এজন মানুহৰ কাৰণে। তাত গৈ দেখিলোঁ, অপাৰেচন থিয়েটাৰলৈ পানী কঢ়িয়াই নিবলৈ এজন মানুহ নাই। বাহিৰা মানুহৰ দ্বাৰাহে এবাল্টি পানী নিব লগীয়া হৈছিল। আৰু তাৰ এজন ডাক্তৰে কলে "আপুনি ইয়ালৈ কিয় আহিল ? লাইট যদি নাইকিয়া হয় আমি টৰ্চ মাৰি কাম কৰিব লাগে। আপোনাৰ ক্ষেত্ৰতো যদি এনেকুৱা হয়, আমি দায়িত্ব লব নোৱাৰিম। ইত্যাদি।

★ ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় কেতিয়াবা কাৰেণ্ট যাব পাৰে। মেডিকেল কলেজত কাৰেণ্ট নাথাকিলে কেতিয়াবা টৰ্চ ব্যৱহাৰ কৰা হয়। আমাৰ মাননীয় শক্তি মন্ত্ৰী কোঁৱৰ ডাঙৰীয়াই বিজুলি বাতিৰ বিষয়ে আগতে কৈ গৈছে। অৱশ্যে মেডিকেল কলেজ কেইখনত জেনেৰেটৰ ৰখা হৈছে। মেডিকেল কলেজলৈ তেখেতে নিজেও গৈছে আৰু মইও গৈছো। আমি জইণ্টলি গৈ আহিছো।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে ৩ জন বিধায়ককৰ বাছি সেই ঠাইবিলাকলৈ পঠিয়াই দিয়ক।

★ ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মেডিকেল কলেজ কেইখন আগতকৈ বহুতখিনি ভাল হৈছে বুলি মই জানি বুজিহে কৈছো।

★ শ্ৰীনগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে কেন্দ্ৰীয় মন্ত্ৰীয়ে

★ Speech not corrected

মেডিকেল কলেজৰ কাৰণে যিটো আশ্বাস দিছিল সেইটো যাতে বাতিল নহয়।

★ ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, বাতিল হোৱা প্ৰশ্নই অহা নাই।

★ শ্রীলক্ষী প্রসাদ বৰগোহাঁই : মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্রীয় মন্ত্রীৰ কথা ওলোৱাৰ কাৰণে কৈছো কেন্দ্রীয় মন্ত্রীক আমিও লগ ধৰিছিলো। তেখেতে কৈছে যে এই ক্ষেত্রত একো অভিযোগ কৰা নাই। কথা হৈছে আমাৰ ইয়াৰ পৰাই প্ৰপোজেল নপঠিয়াই।

★ ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াৰ পৰা প্ৰপোজেল যায়।

★ শ্রীমৌলানা আব্দুল জলিল বাগিবী : মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক সকলৰ আবাস গৃহত বিজুলি চাকি সদায় জ্বলি থাকে। কিন্তু অসম মেডিকেল কলেজ, গুৱাহাটী মেডিকেল কলেজ আৰু শিলচৰ মেডিকেল কলেজত বিজুলি চাকি নজ্বলে তেতিয়া হলে কেনেকৈ হব ?

★ ডঃ জয় নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, আমি এটা প্রশ্ন কৰিছিলো। সেই প্রশ্নটো হৈছে ৫৬ জন বিষয়াই কি কাৰণত ঘুৰি আছে এইটো কথা মন্ত্রী মহোদয়ে সদনত কোৱা নাই। বিষয়া কেইজনৰ প্রমোচন কিয় নহল। মাননীয় অধ্যক্ষ মহোদয় ৰুলিং দিয়ক। হাউচৰ পৰা ৩-৪ জন সদস্য লৈ তিনিওখন মেডিকেল কলেজলৈ গৈ তদন্ত কৰি চাওঁক।

Mr. Speaker : I now, call upon the Hon'ble. Member Shri Badan Barua to raise his Zero Hour motion which was published in "Natun Dainik" dated 1.4.95 under the caption. "পাঠদান নিয়মীয়া হোৱা নাই : বিনামূলীয়া পাঠ্যপুথিৰ যোগান অসম্পূর্ণ।"

★ Speech not corrected

★ শ্রীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১ এপ্রিল তাৰিখে নতুন দৈনিক বাতৰি কাকতত এটা বাতৰি ওলাইছে। বাতৰিটো হৈছে— "পাঠদান নিয়মীয়া হোৱা নাই : বিনামুলীয়া পাঠ্যপুথিৰ যোগান অসম্পূর্ণ" এই বাতৰিটোত কেৱল গোলাঘাট জিলাৰ কথাহে কৈছে। এই অঞ্চলত এতিয়াও পাঠ্যপুথি পোৱা নাই। মই কওঁ যে অকল গোলাঘাট জিলাতে নহয় অসমৰ বিভিন্ন জিলাৰ যিবিলাক স্কুলত এই বিনামুলীয়া পাঠ্যপুথি যোগান ধৰা হয় সেইবিলাক স্কুলে এতিয়াও কিতাপ পোৱা নাই। হয়তু চৰকাৰৰ ফালৰ পৰা শিক্ষা-মন্ত্রী মহোদয়ে কব যে কিতাপ পাইছে। কিন্তু কিতাপ এতিয়াও পোৱা নাই। মই জনাত এই কিতাপ বিলাক ছপাবলৈ দিয়া প্রেছবিলাকক অক্টোবৰ মাহতে কাগজ যোগান ধৰা হব বুলি কৈছিল আৰু কাগজ যোগান ধৰা ৯০ দিনৰ ভিতৰত কিতাপ ছপা কৰি দিব লাগিব। কিন্তু নবেম্বৰ মাহলৈকে তেখেত সকলক কাগজ যোগান ধৰা নাই। পিচত বাতৰি কাকতত ওলাইছে যে জানুৱাৰী মাহতো ছাত্র-ছাত্রী সকলে পাঠ্য পুথি নাপাব। এতিয়া আমাৰ যিটো অসম চৰকাৰৰ পাঠ্য পুথি প্রকাশন নিগম আছে তাৰ সঞ্চালকে বাতৰি কাকতত এখন নোটিচ্ জাৰি কৰিছে যে ৩১ ডিচেম্বৰৰ ভিতৰত থলুৱা ছপাশালবিলাকত কাগজ যোগান ধৰা হব। তেতিয়া থলুৱা ছপাশালবিলাকে ইমান কম সময়ৰ ভিতৰত কাম উলিয়াই দিব নোৱাৰে বুলি কলে। তাৰ পিচত মন্ত্রীৰ হস্তক্ষেপত ৩১ জানুৱাৰীলৈ বঢ়াই দিলে। তেতিয়া স্থানীয় যিবিলাক ছপাশাল আছে তেওঁলোকে এই কামটো লবলৈ বিফিউজ কৰাত দিল্লী, বেনাৰসত এই কিতাপবিলাক ছপা কৰিবলৈ দিয়া হ'ল। এই কিতাপ বিলাক বাহিৰলৈ গল। বাহিৰলৈ যোৱাৰ ফলত এতিয়াও আহি পোৱা নাই। সময়মতে কিতাপ নোলোৱাত আৰু সেই পাঠ্য পুথিৰ মূল্য পাঠ্য

★ Speech not correeted

পুথি প্রণয়ন নিগমে সময়মতে দিব নোৱাৰাৰ কাৰণহে পলম হয়। অসমৰ যিবিলাক ছপাশাল আছে সেই ছপা শালবিলাকত যোৱা বছৰ দিবলগীয়া যি বিলাক বিল আছে সেই বিলৰ টকা আদায় দিয়া নাই। ২-৪ জনকৈ দিলেও শতকৰা ২৫ ভাগতকৈও কম টকাহে দিছে। এনেকৈয়ে আমাৰ অসমত থকা ছপাশালবিলাক দুৰ্ব্বল কৰিছে। এইদৰে দুৰ্ব্বল কৰাৰ ফলত স্থানীয়ভাৱে কিতাপবিলাক ছপা কৰিবলৈ নলয়। ফলত এই কামবিলাক বাহিৰলৈ গৈছে। এইবাৰ মাননীয় অধ্যক্ষ মহোদয়ে শুনি আচৰিত হব যে ছপাশালবিলাকৰ পৰা লিখি লৈছে যে যেতিয়াই পইচা হয় তেতিয়াই তেওঁলোকক পইচা দিব। বহুতো স্থানীয় ছপা-শালে এই চুক্তি মনা নাই। এই পাঠ্য পুথি স্থানীয় ভাৱে ছপা নকৰাৰ কাৰণে আৰু দিল্লী, বেনাৰসক ছপা কৰিবলৈ দিয়াৰ কাৰণে এই কিতাপ বিলাক অহা নাই। যাৰ ফলত যোৱা ৩ মাহ ধৰি এতিয়াও আমাৰ ছাত্ৰ-ছাত্ৰী সকলে কিতাপ পোৱা নাই। সেই কাৰণে ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়াত যথেষ্ট অসুবিধা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আচৰিত কথা যে আমাৰ বাজ্যত যিবিলাক স্থানীয় ছপাশাল আছে সেই ছপাশালৰ মালিকৰ পৰা লিখাই লৈছে যে এতিয়া পইচা নাই আৰু যেতিয়া পইচা আহিব তেতিয়াহে পেমেণ্ট কৰিব পৰা হব, গতিকে তেনে কন্দিশ্যনত যদি স্থানীয় ছপাশাল বিলাকে ছপা কৰিবলৈ সন্মত হয় তেতিয়াহলে তেওঁলোকে কিতাপ ছপা কৰা কাম হাতত লব পাৰে। এনে এটা কন্দিশ্যনত স্থানীয় ছপাশাল বিলাকে ছপাৰ কাম হাতত লবলৈ সন্দেহ প্ৰকাশ কৰাত এই কিতাপ বিলাক দিল্লী আৰু বেনাৰচ ইত্যাদিত প্ৰিণ্ট কৰিবলৈ দিলে কিন্তু সেইবিলাকো প্ৰিণ্ট হৈ সময়মতে আহি নাপালে। ফলত ছাত্ৰ-ছাত্ৰী সকলে পাঠ্য পুথি নাপালে। ছাত্ৰ-ছাত্ৰী সকলৰ সেই কাৰণেই বেছি অসুবিধা হৈছে আৰু এই বিলাক কাৰণতেই অকল চহৰতেই নহয় গাওঁ অঞ্চলতো ইংৰাজী মাধ্যমৰ স্কুল গঢ়ি উঠিছে। এই ক্ষেত্ৰত শিক্ষা বিভাগে এটা স্পষ্টিকৰণ দিব লাগে যে এই বছৰৰ ভিতৰতে গোটেই খিনি কিতাপ

ছপা কৰিব লাগে আৰু মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টিকৰণ বিচাৰিছো যাতে এই কিতাপ বিলাক স্থানীয় ছপাশালত ছপা হয় তাৰ কাৰণে বিহীত ব্যৱস্থা লবনে ?

★ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) : অধ্যক্ষ মহোদয় আজি বিধান সভাত শূন্য কালৰ সময়ত যিটো বিষয়ে মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই উপস্থাপন কৰিছে এই সম্পৰ্কীয় যিখন ন'টিচ সেইখন মই আজি সদনলৈ অহাৰ পিচতহে পাইছো গতিকে এই গোটেই বিষয়টো চালি-জাৰি চাই মই এই সদন চলি থকা অৱস্থাতে এটা ষ্টেটমেণ্ট দিম।

Mr. Speaker : I now call upon the Hon'ble Member Shri Nizamuddin Khan to raise his Zero Hour motion.

★ শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, শূন্য কালৰ সময়ছোৱাত মই এটি বিষয় লৈ ৰেইজ কৰিব বিচাৰিছো, সেইটো হ'ল—বাতৰি কাকতত অসম বন্দোৱস্তী ৩য় আৰু ৪র্থ শ্ৰেণীৰ চাকৰিয়ালক চাকৰিৰ পৰা অপসাৰণ কৰাৰ বিষয়ে যি বাতৰি প্ৰকাশ পাইছে সেই সম্পৰ্কত মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক এই সন্দৰ্ভত কেইটামান কথা জনাব বিচাৰিছো। অসম বন্দোৱস্তী ৩য় আৰু ৪র্থ শ্ৰেণীৰ চাকৰিয়াল সকল ২০/৩০ বছৰ চাকৰি কৰাৰ পিচতো আজিলৈকে তেওঁলোকৰ চাকৰি স্থায়ী কৰা নহ'ল আনহাতেদি তেওঁলোকক চাকৰিৰ পৰা অপসাৰণহে কৰা হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই চাকৰিয়াল সকলক ইমান বছৰ চাকৰি কৰাৰ পিচত কিয় স্থায়ী নিযুক্তি দিয়া নহ'ল আৰু তেওঁলোকক চাকৰিৰ পৰা অপসাৰণ বন্ধ কৰিব নেকি ? কিয়নো ২০।৩০ বছৰ কাল চাকৰি কৰাৰ পাচতো তেওঁলোকক যদি চাকৰিৰ পৰা অপসাৰণ কৰা হয় তেতিয়াহলে তেওঁলোকক অন্ধকাৰলৈ ঠেলি দিয়া হব তাৰোপৰি এই কৰ্ম্মচাৰী সকলক যিখিনি নুন্যতম সা-সুবিধা আৰু প্ৰশিক্ষনৰ ব্যৱস্থা কৰা নহয় তেতিয়াহলে এই কৰ্ম্মচাৰী সকলৰ ভৱিষ্যত কি হব

★ Speech not corrected

সেইটো চিন্তাৰ বিষয়। গতিকে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে? দীৰ্ঘ দিন চাকৰি কৰি থকাৰ পিচত এই বন্দোৱস্তী কৰ্মচাৰী সকলক যাতে চাকৰিৰ পৰা অপসাৰণ কৰিব নোৱাৰে আৰু তেওঁলোকক স্থায়ী ভাবে নিযুক্তি দিব লাগে আৰু বন্দোৱস্তী চাকৰিয়াল সকলক প্ৰশিক্ষন দিয়াৰ বেলিকা চৰকাৰে কি ব্যৱস্থা লৈছে সেই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ে জনাবনে?

★ শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নিজামুদ্দিন খান ডাঙৰীয়াই শূন্য কালৰ যিটো বিষয় উত্থাপন কৰিছে অসম বন্দোৱস্তী কৰ্ম্মচাৰী সকলৰ সম্পৰ্কত, এই ক্ষেত্ৰত মই কব বিচাৰিছো. অধ্যক্ষ মহোদয়, আপুনি জানে এই চেটেলমেণ্ট বিভাগটো এটা টেম্পৰেৰী বিভাগ। এই বিভাগৰ অধীনত আমি যি কোনো এখন জিলাৰ যেতিয়া কোনো এটা স্কীম লওঁ সেই কাম শেষ হোৱাৰ পাচত সেই কৰ্ম্মচাৰী সকলক সংশিষ্ট জিলা উপাযুক্তই হওঁক বা অন্যান্য কাৰ্য্যালয়লৈ পঠাই নিয়োগ কৰাৰ কাৰণে ব্যৱস্থাৰ বিষয়ে যত্ন কৰি থকা হৈছে। ইতিমধ্যে গোৱালপাৰা. কোকৰাঝাৰ বঙ্গাইগাওঁ, আৰু ধুবুৰী জিলাত বন্দোৱস্তী কৰ্ম্মচাৰী সকলৰ লগত আলোচনা হৈছিল আৰু সেই আলোচনাত তেখেত সকলে যিবিলাক বিষয় উত্থাপন কৰিছিল সেই সম্পৰ্কত এটা সু-ব্যৱস্থা লম বুলি জনোৱা হৈছে। আমাৰ চেনচাচ বিভাগত যেনেকৈ এটা নিৰ্দ্দিষ্ট সময়ৰ কাৰণে চাকৰিয়াল সকলক নিযুক্তি দিয়া হয় ঠিক তেনেকৈ বন্দোৱস্তী বিভাগতো এটা নিৰ্দ্দিষ্ট অপাৰেশ্যনৰ কাৰণে অস্থায়ী ভাৱে নিযুক্তি দিয়া হয়। তথাপিতো যিহেতু এই বিভাগৰ যি সকল কৰ্ম্মচাৰীয়ে দীৰ্ঘদিনৰ ধৰে এই বিভাগতে চাকৰি কৰি আছে তেওঁলোকক যাতে স্থায়ী ভাবে নিযুক্তি দিব পৰা হয় সেই বিষয়ে চিন্তা চৰ্চ্চা কৰি থকা হৈছে।

★ Speech not corrected

★ শ্রীনিজামুদ্দিন খান : মাননীয় মন্ত্রী ডাঙৰীয়াই স্বীকাৰ কৰিছে যে যি সকল ৩য় , ৪র্থ শ্রেণীৰ বন্দোৱস্তী বিভাগত চাকৰি কৰি আছে তেওঁলোকক চাকৰিৰ পৰা অপসাৰণ কৰা হৈছে কিন্তু এই বিভাগতে কাম কৰি ৫ । ৬ বছৰ পাৰ কৰাৰ পাচত যদি তেওঁলোকক চাকৰিৰ পৰা অপসাৰণ কৰা হয় তেতিয়াহলে ভৱিষ্যতে কলৈ যাব কিয়নো তেওঁলোকৰ বয়সৰ সীমা পাৰ হৈ যাব, তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰ । গতিকে যি কোনো পৰিস্থিতিত যাতে বন্দোৱস্তী বিভাগত কাম কৰা চাকৰিয়াল সকলক ৫ । ৬ বছৰ চাকৰি কৰাৰ পিচত তেওঁলোকক স্থায়ী ভাবে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে নতুবা বন্দোৱস্তী বোৰ্ড স্থাপন কৰি তেওঁলোকক চাকৰিত বখাৰ ব্যৱস্থা হব নে ? এই বিষয়ে মন্ত্রী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো ।

★ শ্রীমুকুট শর্ম্মা (ৰাজহ মন্ত্রী) অধ্যক্ষ মহোদয়, এই বিভাগত নিযুক্তি দিয়াৰ সময়তেই এই বিভাগৰ চাকৰিয়াল সকলে জানে যে তেওঁলোকৰ চাকৰিটো নিৰ্দ্দিষ্ট আঁচনিৰ কাৰণেহে আৰু নিৰ্দ্দিষ্ট সময়ৰ কাৰণেহে । তথাপিটো যি সকল কৰ্ম্মচাৰীৰ চাকৰি ৫ । ৬ বছৰ হৈ গৈছে তেওঁলোকে ভৱিষ্যতে যাতে অসুবিধা নাপায় আৰু ভৱিষ্যতে যাতে তেওঁলোকক স্থায়ী ভাবে নিযুক্তি দিব পাৰি সেই বিষয়ে চিন্তা চৰ্চ্চা কৰি বিহীত ব্যৱস্থা লম ।

Mr. Speaker : Now, Hon'ble Chief Minister will give a Statement.

Statement By Chief Minister

Shri Hiteswar Saikia (Chief Minister)Mr. Speaker Sir, on 1st April 1995, the Accord granting more autonomy to the two Autonomous Hill Districts has been signed between the Government of Assam and the Representatives of

★ Speech not corrected

the Autonomous State Demand Committee of the Hill Districts in a Triparite talk held under the Chairmanship of the Union Home Minister at New Delhi. The tripartite talk held on 1st April 1995 is the final round of series of such talks since 1992.

Keeping in view the strong commitment of the Central Government, the Government of Assam and Organisations signatory this MOU, to uphold the integrity of the State of Assam and not to take recourse to any further reorganisation and division of the state, efforts continued in the direction of finding a solution within framework of the Sixth Schedule of the Constitution of India.

Under the terms and conditions of the Accord, the two Hill District Councils will have powers to prepare the Hill Districts budget within the total allocations indicated by the State Government. The Councils will send the Budgets of Hill Districts to the Government for presenting the same along with the Budget of the General Areas in the State Legislature. The Representatives of the Council will attend the Annual Plan Discussion of the Planning Commission along with the State Government delegation. The Councils will have Legislative Powers on more subjects relating to development and preservation of their Culture and tradition. The Councils will be consulted by the State Government in respect of transfer and posting etc. of Police Officers and

the Deputy Commissioners in the two Hill Districts.

In this connection I would like to make a special mention that our Government has fufilled its Election Manifesto that the problems of the Hill Districts would be solved amicably by preserving the territorial integrity of the State of Assam.

Now I earnestly seek the co-operation of the members of this August House as well as the people of the state for proper implementation of i Accord M.O.U.

Dated, Dispur (H. Saikia)
the 3rd April 1995. Chief Minister, Assam.

On 31.3.95 at about 7.30 P. M. a group of lottery ticket vendors were counting their day's sales proceeds in the veranda of one Rabin Bayan, Lottery agent at the Mission Charali Market of Udalguri. Suddenly 4 Bodo miscreants appeared at the spot and asked them to give away their money. They also asked all of them to go into the corner of the veranda and stand. Suddenly the lights went off due to load shedding. 2 of the vendors namely Raj Kumar Singh and Paresh Das managed to escape. The Bodo miscreants started firing in the darkness and as a result of their indiscriminate firing in the dark 7 lottery vendors were killed and two injured. The injured persons also subsequently succumbed to their injuries. The names of the persons who died are as follows :

1. Kumud Das.
2. Bimal Ghose
3. Kanak Baishya
4. Amal Upadhaya
5. Akhil Pathak
6. Nepali Lama
7. Habina Das
8. Sadhan Ghose
9. Dilip Pradhan.

The level of force deployment as Udalguri could not to be kept at the desired level due to lack of sufficient security force who were withdrawn for election duties to the parts of the State. The miscreants have apparently taken advantage of this vaccum created by the sudden withdrawal of force and committed the above mentioned crime.

A combing operation has been laucnhed with the help of Border Security Force and Assam Police Battalion personnel. The DIG (NR) is conducting the combing operation.

